# ভগ্ন প্ৰাচীৰ

সদানন্দ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

বাছখনৰ ভিতৰলৈ নতুনকৈ প্ৰৱেশ কৰা যাত্ৰীবোৰৰ মাজত ভূপতি ফুকনক দেখা পাই সুধীৰ আচৰিত হ'ল ।সি বহাৰ পৰা উঠি তেওঁক সাদৰ সম্ভাষণ জনাই নিজৰ কাষত থকা খালী চিটটোত বহিবলৈ দিলে। সুধীৰৰ আকস্মিক আৱিৰ্ভাৱত ফুকন ডাঙৰীয়া একেবাৰে অপ্ৰস্তুত হ'ল । সুধীৰৰ লগত একেলগে বহিবলৈ তেওঁৰ মন যোৱা নাছিল, তেওঁ কিছু বিবুধিত পৰিছিল । কিন্তু বাৰ্দ্ধক্যজনিত কাৰণত নবহাকৈ থাকিব নোৱাৰিলে। ক্ষন্তেক আগতে নামি যোৱা যাত্ৰীজনে পুনৰ আগৰ চিটত বহিবলৈ ইচ্ছা কৰাত ফুকন আৰু বেছি অপ্ৰস্তুত হ'ল । কিন্তু সুধীৰে ইতিমধ্যে নিজৰ চিটটোকে সেই যাত্ৰীজনক এৰি দিয়াত তেওঁ উঠিবৰ প্ৰয়োজন নহ'ল । সুধীৰৰ তেনে ব্যৱহাৰে আজি তেওঁক আচৰিত কৰা নাই; সৰুৰে পৰাই দেখি আহিছে। মাথোঁ কেইবছৰমান হ'ল দেখা দেখি হোৱা নাছিল । বহুদিনৰ মূৰত নিজৰ গাঁওৰ মানুহ এজনক দূৰণিৰ ঠাইত লগ পাই সুধীৰে ভালেই পালে অন্তত কথা-বতৰা পাতিব পৰা যাব ।



ইতিমধ্যে গাড়ীখনে ষ্টেচন এৰিলে ।

ভূপতি ফুকন সুধীৰহতৰ গাঁওৰ এজন সম্ভ্ৰান্ত লোক ।সমাজৰ উচ্চ পদবী ধাৰী ব্যক্তি ।সিহঁতৰ ঘৰৰ পৰিৱেশৰ লগত গাঁওৰ অন্য পৰিয়ালৰ পৰিৱেশৰ এক আকাশ-পাতাল পাৰ্থক্য ।সুধীৰৰ মাকে ফুকনৰ ঘৰৰ গুৰুত্বপূৰ্ণ কামখিনি কৰে । প্ৰতি ৰাতিপুৱা সুধীৰেও মাকৰ লগতে যায় ।গতিকে উপাৰ্জনৰ টকা কিছু বাঢ়ে ।সুধীৰ আৰু তাৰ মাকৰ বাবে ফুকনৰ গোহালি ঘৰটো সদায় খোলা থাকে।দুপৰীয়া মাকে কলপাত এখন কাটি লৈ নিজৰ বুলি দাবী কৰিব পৰা গিলাচটোত পানীখিনি ভালদৰে চকু ফুৰাই উৎসুকতাৰে বৈ থাকে ।ৰিমা বোলা কাম কৰা ছোৱালীজনীয়ে তাইৰ কলপাতত ভাত দিয়েহি ।এবাৰতে যিখিনি দিয়ে সেইখিনিকে তৃপ্তিৰে খাই গৃহস্থৰ বাচন বৰ্তন খিনি বাহিৰত উলিয়াই দিয়ালৈ অপেক্ষা কৰে। তাৰ পিছত দমকলৰ ওচৰলৈ নি তাই গোটইবোৰ লেতেৰা বাচন বৰ্তন ধুই মেলি ৰ'দত শুকাই দিয়ে । ৰিমাই ৰান্ধনী ঘৰত সেই খিনি সুমুৱাবৰ সময়ত পুনৰ এবাৰ পানী ছটিয়াইহে থয়গৈ । ঘৰখনৰ অনুশাসন বুলি ক'বলৈ হ'লে সাধাৰণতে এইবোৰেই প্ৰধান ।প্ৰথম দিনা সুধীৰ আৰু মাকক কোৱা এইফালে নাযাবি, এইবোৰ নুচুবি, এইটো নকৰিবি, সেইটো কৰিবি বুলি চিনাই দিয়া কথাবোৰ আজিও সিহঁতৰ অন্তৰত সাঁচ বহি আছে । মুঠতে পৰিয়ালটোৰ ৰীতি - নীতি সম্পৰ্কে মাক-পুতেক একেবাৰে সচেষ্ট।

পৰাপক্ষত ভুল নকৰাৰ চেষ্টা কৰে ।

ফুকনৰ একমাত্ৰ পুত্ৰ ৰাজীৱ আৰু সুধীৰ সৰুৰে পৰা একেলগে একেটা ক্লাছতে পঢ়িছিল। দুয়োৰে মাজত খুব মনৰ মিল। পঢ়া শুনাত দুয়ো বেচ চোকা। প্ৰত্যেক বাৰতে ৰাজীৱে প্ৰথম আৰু সুধীৰ দ্বিতীয় হ'বই। ৰাজীৱে উপলব্ধি কৰিব পাৰে সুধীৰৰ জ্ঞানৰ বিশাল পৰিধিক। সেয়ে সি তাৰ ওচৰত নতশিৰ হয়। বাস্তৱ ক্ষেত্ৰত সুধীৰে তাতকৈ বহু কথা জানে। সি জনাৰ মূলতে তাৰ মাক। ৰাজীৱ আচৰিত হয় বেলেগৰ ঘৰত কাম-বন কৰি ফুৰা মানুহজনীয়ে ইমানবোৰ কথা ক'ত শিকিলে। সি ইমানেই বন্ধুৰ প্ৰতি আকৰ্ষিত যে নিজৰ ঘৰুৱা শিক্ষকজনে দিয়া নোটবোৰ, আনকি স্কুলৰ ফিছ পৰ্যন্ত উপযাচি দিয়াৰ চেষ্টা কৰে। ৰাজীৱে সুধীৰহঁতৰ লগত থকা আকাশ- পাতাল পাৰ্থক্যৰ কথা বুজি নাপায়। এদিন সি সুধীৰক সুধিছিল — "তোমালোকে আমাৰ ঘৰত কামবোৰ যে কৰা বেলেগত নকৰা কিয় ?"

"জানা ৰাজ, আমি দুখীয়া মানুহ। পেটৰ ভোক গুচাবলৈ, চোলা, কাপোৰ পিন্ধিবলৈ সেইবোৰ কাম কৰোঁ। বুজিছ আমাৰ দেশৰ বাহিৰত বোলে কামৰ সৰু - ডাঙৰৰ পাৰ্থক্য একো নাই।"

সুধীৰৰ সহজ কথাখিনিকে সি বুজিব পৰা নাছিল। সি যেন আৰু এটা ভাল অথচ একেবাৰে সহজ উত্তৰ বিচাৰিছিল। সিহঁতৰ বন্ধুত্ব অতি নিবিড় হ'লেও ৰাজীৱে ঘৰত সুধীৰৰ লগত একেলগ হোৱাৰ পৰা বঞ্চিত হৈছিল। সেয়ে তাৰ মনত বৰ দুখ। সুধীৰে দায়িত্ব পালন কৰি ঘৰলৈ নোযোৱা পৰ্যন্ত সি ঘৰৰ ভিতৰত পঢ়াৰ ভাও জুৰি সময় কটায়।

সিহঁতৰ বন্ধুত্ব দেখি ফুকন ডাঙৰীয়া চিন্তিত হ'ল। সেয়ে ৰাজীৱক এম. ই. স্কুলৰ ডেওনা পাৰ হোৱাৰ পিছতে চহৰৰ হাইস্কুলত নাম ভৰ্তি কৰি দিলে। প্ৰথম অৱস্থাত দুই বন্ধুৰ মাজত খুব চিঠিৰ আদান- প্ৰদান আৰম্ভ হ'ল। ফুকনৰ সেয়াও সহ্য নহ'ল। পোষ্ট অফিচৰ লগত যোগাযোগ কৰি দুই বন্ধুক একেবাৰেই বিচ্ছেদ কৰি পেলালে।

সুধীৰে ওচৰৰে বেচৰকাৰী হাইস্কুলত নাম ভৰ্তি কৰিলে। দুদিনমান শিক্ষকসকলৰ আদৰ যত্নত সি পঢ়াত উন্নতি কৰিবলৈ ধৰিলে। প্ৰধান শিক্ষকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ল। পিছতে সি শিক্ষকে সিহঁতক উৎসাহ উদ্দীপনা দি কয়— " তোমালোকে শুনা, তোমালোকৰ একাগ্ৰতাই, মনৰ দৃঢ়তাই, সততাই বহুদূৰ আগুৱাই লৈ যাব। যিসকল লোকে দেশ বিদেশত নিজৰ প্ৰতিভাৰ যোগেদি জিলিকিবলৈ সমৰ্থ হৈছে তেওঁলোকো তোমালোকৰ দৰেই মানুহ। সেই সকলৰ বহুতে তোমালোকৰ দৰে পৰিয়ালতে জন্ম গ্ৰহণ কৰি ডাঙৰ দীঘল হোৱা। সৰু হোৱা, কিন্তু লক্ষ্য উচ্চ হওক।"

এটা সময়ত সুধীৰহঁতৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। সি ৰিজাল্ট পাইয়ে শিক্ষকসকলক আঠু কাঢ়ি সেৱা কৰিলে । সকলোৱে আশীৰ্বাদ দিলে । গাঁওৰ ভিতৰত তথা স্কুলখনৰ ভিতৰত সিয়েই পোন প্ৰথম বাৰৰ বাবে গণিত আৰু ইংৰাজীত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰিলে ।

ৰিজাল্টৰ খবৰটিয়ে গোটেই অঞ্চলতে খলকণি লগালে । কিন্তু সুধীৰৰ মাকৰ মনত কোনো খলকণি তোলা নাই । তাই ৰিজাল্টৰ প্ৰকৃত মূল্য বুজি নাপায় । মাথোঁ বুজে — পঢ়িছে যেতিয়া পাছ কৰিবই।

পিছদিনা তাই ফুকনৰ ঘৰৰ কৰিব লগা কামখিনি কৰি পিছপিনৰ বাৰাণ্ডাত বহিছে মাথোঁ । এনেতে ফুকনৰ পৰিবাৰে আহি সুধিলে —

"তোমাৰ ল'ৰাই বোলে পাছ কৰিলে ?"

"হয় আইদেউ ।"

"ভালেই কৰিলে সি ।"

"ভালনে বেয়া ক'ব নোৱাৰো আইদেউ । পিছে বাপুকণৰো ভাল নিশ্চয় ?" ৰাজীৱক ঘৰত বাপুকণ বুলিয়ে মাতে ।

"অ পাছ কৰিছে এনেয়ে ।"

অসন্তুষ্টিৰে কথাখিনি তেওঁ কয় । সুধীৰৰ মাকে আৰু কিবা ক'ব খুজিও একো ক'বলৈ নাপালে । ইতিমধ্যে তেওঁ আঁতৰি গল । তেওঁ যোৱাৰ ফালে তাই চাই ৰ'ল । এটা সময়ত ল'ৰাৰ কথা চিন্তা কৰি তাই তন্ময় হৈ গ'ল ।

"এই চাহ খোৱা ।"

ফুকনৰ পৰিবাৰে আহি মাত দিয়াতহে তাইৰ তন্ময়তা ভাগিলে। হাতত চাহ কাপ তুলি লৈ ক'লে, "আইদেউ কথা এটা কওঁ বুলি ভাবিছো। কওঁনে ?"

"কি কথা ? কোৱা ।"

"আইদেউ বৰ বিপদত পৰিছোঁ ।"

"বিপদ ? কেনে বিপদ ?"

"টকা অলপ লাগিছিল ।"

"কিয় সিদিনাচোন নিলিয়েই । ইমান ঘনাই ....."

"নহয় আইদেউ, মোক নালাগে ..............."

"তাৰ মানে ল'ৰাক কলেজত পঢ়ুৱাবৰ মন । তই জানো পাৰিবি ?"

"আপোনালোকে সহায় কৰিব আইদেউ ।"

"চাওচোন পাৰোঁ নে নোৱাৰোঁ ।"

এনে এটা আশ্বাস পাব বুলি তাই ঘৰতে ভাবি আহিছিল । তাৰ পিছত তাই একেদৰেই কামত আহি থাকিল ।

দুদিনমান গ'ল, টকা দিয়াৰ লক্ষণ কিন্তু দৃষ্টি গোচৰ নহ'ল । টকাৰ কথা উলিয়ালে মালিক-মালিকনীয়ে ইটো-সিটো কথা উলিয়াই টকাৰ কথাটো তল পেলায় । প্ৰথম কেইদিনমান যেনিবা কিছু ভাৰসা দিছিল । পিছলৈ কিন্তু কাণসাৰেই নকৰা হ'ল । এদিনাখন গধূলি তাই ঘৰত টকাৰ কথাকে ভাবি ভাবি শুই থাকিল । ভাত ৰান্ধিবলৈকো মন নগ'ল । অনাহাৰে অনিদ্ৰাই গোটেই নিশাটো পাৰ কৰাত পিছদিনা ইচ্ছা

থকা সত্বেও মূৰ ঘূৰোৱা বাবে কামলৈ যাব নোৱাৰিলে । তাইৰ অসুখ হোৱা খবৰটি ফুকনৰ ঘৰত জনাবলৈকো কাকো নাপালে । এদিন দুদিনকৈ তাই চাৰিদিনমান পৰি থাকিল । তাই ভাবিছিল ফুকনৰ পৰিয়ালৰ লোকে আহি তাইৰ খবৰটি লৈ যাবহি । কিন্তু কোনো নাহিল । ফুকনৰ পৰিয়ালৰ কাম বনৰ দায়িত্ববোধৰ বাবে অসুখীয়া গাঁৰেই কাম কৰিবলৈ যোৱাটোকে ঠিক কৰিলে ।

ফুকনৰ বস্তিত প্ৰৱেশ কৰিয়েই তাই লক্ষ কৰিলে কোনোবাই বাচন বৰ্তন ধূই পখালি আছে । উৎসুকতাৰে চালে । পৰিয়ালৰ মানুহ নহয়, কৰবাৰ তিৰোতা । কাষত ফুকনৰ পৰিবাৰ থিয় হৈ আছে ।

"আইদেউ কামবোৰ কৰোঁনে ?" তাই উৎসুকতাৰে মাত লগালে ।

"অ' তুমি হ'বলা আজিহে সাৰ পালা, আমি টকা নিদিম বুলি ভাবি আনৰ বাৰী লুটিবলৈ গৈছিলি ? কিয় আজি ওলালিহি ? তই নোৱাৰ তোৰ পুতেৰেতো আহিব পাৰে, তোৰ পুতেৰে চোন আমাৰ টকাৰে ইমান খিনি পঢ়িলে, এতিয়া হ'বলা পঢ়ি-শুনি লাজ পাই চাকৰ খাটিবলৈ নাহে । ওলা মোৰ ঘৰৰ পৰা ।"

অত দিনে দেখি অহা মানুহজনীৰ আকস্মিক পৰিবৰ্তনত আৰু তেওঁৰ চোকা বাক্য বাণত তাই একেবাৰেই নিশ্চুপ হ'ল । 'নহয় আইদেউ অসুখ হৈছিল, সুধীৰো ঘৰত নাছিল' বুলি কবলৈকো সময় নহ'ল । তাইৰ ৰুদ্ৰমূৰ্তি দেখা পাই গা শিঁয়ৰি উঠিল । মনতে ভাবিলে কামটোতো হেৰুৱালেই এইখন ঘৰলৈ অহাৰো অধিকাৰ একেবাৰে হেৰুৱালে নেকি ?

ফুকনৰ পৰিয়ালৰ কামখিনিৰ পৰা বঞ্চিত হৈ মাক-পুতেক একেবাৰে নিৰুপায়ত পৰা বুলি জানিব পাৰি সুধীৰৰ শিক্ষক বিনন্দ মাষ্টৰে ঘৈণীয়েক আৰু জীয়েকৰ পৰামৰ্শক্ৰমে মাক-পুতেক দুয়োকে আশ্ৰয় দিলে । কৰ্মক্ষম মানুহ যেতিয়া কাম-বনখিনি কৰিব পাৰিব । মাষ্টৰৰ ইচ্ছাতে সুধীৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভালদৰে পাছ কৰি পুণাৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্ত্তি হ'ল । পুত্ৰহীন মাষ্টৰে নিস্বাৰ্থভাবে সহায় কৰি গ'ল ।

বহু সময় পাৰ হ'ল । কোনোবা এটা ষ্টেছনত ফুকনৰ লগত বহি থকা যাত্ৰীজন নামি গ'লত সুধীৰে পুনৰ বহিলে । অথচ ফুকনৰ পৰা এষাৰি কথাও নোলাল । ফুকনে সুধীৰক একো সুধিব পৰা নাই । সুধীৰৰ সাজ-পোচাকে আজি তাক আচৰিত কৰিছে । বাৰীৰ পিছৰ সুৰুঙা পথটোৰে আহি লেতেৰা কামখিনি কৰি পুনৰ একেটা বাটেদি গুচি যোৱা সুধীৰে আজিহে তাক ইমান ওচৰত পাইছে । তেওঁৰ সন্মুখত থকা সুধীৰ আৰু তাহানিতে লগপোৱা সুধীৰৰ আচাৰ ব্যৱহাৰৰ মাজত কোনো পাৰ্থক্য বিচাৰি নাপায় । পায় মাথোঁ সুধীৰে শৈশৱতে পোৱা আসন আৰু বৰ্তমানত পাব পৰা আসনৰ মাজত । এইজন সুধীৰকে তেওঁ ঘৰৰ চকীত বহি থকা দেখা পাই কাণত ধৰি উঠাই দিছিল আৰু ভৱিষ্যতে তেওঁৰ ঘৰলৈ আহি চকীত নবহিবলৈ সাৱধান কৰি দিছিল। মাককো সাবধান বাণী শুনাইছিল । অথচ সেইজন ল'ৰাই আজি তাক স্বইচ্ছাই চিট এৰি দিছে । সেয়ে সি মৌন হৈয়ে ৰ'ল । তাৰ মনত আজিহে সুধীৰৰ প্ৰতি প্ৰেমভাৱ জাগৰিত হ'ল । সম্ভৱ প্ৰেমেই পৃথিৱীৰ সকলৰে বাবে সৰ্বশ্ৰেষ্ঠ ভাষা যাক মৌনতাৰেও প্ৰকাশ কৰিব পাৰি ।

অনিচ্ছা সত্বেও ফুকনে খিৰিকীৰ গ্লাচখন আঁতৰাই দি একান্তমনে বাহিৰলৈ চাই থাকিল । গাড়ীখনে অতিক্ৰম কৰি অহা মনোমোহা প্ৰাকৃতিক দৃশ্য কিম্বা ৰঙ-বিৰঙৰ অট্টালিকা কোনোটিয়েই তেওঁৰ দৃষ্টিগোচৰ নহ'ল । অতীতৰ এৰি অহা দিনবোৰ, সুধীৰহঁতৰ শৈশৱৰ জীৱনৰ দিনবোৰ তেওঁৰ চকুৰ আগত এটি এটিকৈ ভাহি উঠিল । তেওঁ একেবাৰে নিৰ্বাক হৈ মাথোঁ লক্ষ্য কৰি গ'ল ।

" দেউতা, আপোনাৰ ভাল নে ?" — সুধীৰৰ মাতত তেওঁ কিছু সচেতন হ'ল ।

"অ' কোনো ৰকমে আছো ।"

"আইদেউ আৰু ৰাজীৱহঁত ভালে আছেনে ?"

ফুকনৰ মুখখন শেঁতা পৰি গ'ল । কি উত্তৰ দিব তেওঁ ? মনটোৰে তেওঁৰ হাহাকাৰ কৰি উঠিল । মুখমণ্ডলত সম্পূৰ্ণকৈ বিষাদৰ ডাঁৱৰে আৱৰি ধৰিলে । বেদনাৰে মাথোঁ সুধীৰৰ দুচকুলৈ চাই ৰ'ল। সেই চাৱনিটোৰে যেন অনুৰোধ কৰিব খুজিছে সেইবোৰ কথা নুসুধাই ভাল ।

নিজকে সংযত কৰি তেওঁ ক'বলৈ আৰম্ভ কৰিলে," বোপা, তুমিতো গমেই পাইছা , ময়েই তাক চহৰলৈ নি স্কুলত ভৰ্তি কৰোৱাইছিলোঁ । সি মাক আৰু ভনীয়েকৰ লগতে প্ৰিয় বন্ধু-বান্ধৱীৰ পৰা ইমান আঁতৰত থাকিব খোজা নাছিল । তাক মই চহৰত পঢ়িবলৈ নিষ্ঠুৰভাবে বাধ্য কৰাইছিলোঁ । মই তাক টকাৰ বলেৰে শিক্ষিত মানুহ কৰি গঢ়ি তুলিবলৈ খুজিছিলোঁ । মোৰ ধাৰণাটো যে ভুল আছিল মই বুজিব পৰা নাছিলোঁ । প্ৰথমতে সি ঘোৰ আপত্তি কৰিছিল । সেয়ে প্ৰয়োজনতকৈ তাক মই যথেষ্ট টকা দিছিলোঁ । এটা সময়ত ঘৰলৈ অহাৰ মোহ তাৰ কমি আহিল । মই ভালেই পাইছিলোঁ । সি হায়াৰ ছেকেণ্ডাৰীও পাছ কৰিছিল ভালদৰে । মই ডাক্তৰী পঢ়ুৱাবলৈকে খুজিছিলোঁ । সি আপত্তি কৰাত জোৰ নিদি নিজকে কিবা এটা সিদ্ধান্ত লোৱাৰ সম্পূৰ্ণ স্বাধীনতাকণ দিলোঁ । ইংৰাজীত মেজৰ লৈ সি বি-এত নাম ভৰ্তি কৰিলে । সময়ত তাক বহু টকা লগা হ'ল । মই টকা দি দিও সন্তুষ্ট কৰিব নোৱাৰা হ'লোঁ । বাৰে বাৰে মাথোঁ টকাৰ বাবে টেলিগ্ৰাম কৰে । তাৰ পৰা একো জানিবও নোৱাৰিলোঁ । বহুবাৰ হোষ্টেলত গৈও লগ নাপালোঁ । তাৰ পিছত এদিন জানিব পাৰিলোঁ সি নিৰুদ্দেশ .....।"

"তাৰপিছত ?"

সুধীৰ জানিবলৈ খুব আগ্ৰহী হয় । চকুৰে মুখে অনুসন্ধিৎসুৰ

চাপ ।

"আমি বিশ্বাস কৰিব পৰা নাছিলোঁ । অন্ততঃ মই ভাবিছিলোঁ মিছা কথা, মোৰ ল'ৰাই কেতিয়াও অসৎ কাম কৰিব নোৱাৰে । তাৰ গাত আমাৰ বংশৰ তেজ আছে । কিন্তু মোৰ ধাৰণাবোৰ মিছা হ'ল । গৈ দেখিলোঁ হোষ্টেলৰ ৰেজিষ্টাৰ বহীত বহুদিনৰ পৰা সি অনুপস্থিত। জানা বোপা বহুত বিছাৰিলোঁ । তাৰ চিন্তাত মাকৰ "প্ৰেছাৰ" বেমাৰটোও বেছি হ'ল । তাইও এদিন মোৰ ওপৰত অভিমান কৰি সিপুৰীলৈ গুচি গ'ল ।"

কথাখিনি কৈ ফুকনে শোকত কাতৰ হয় । সুধীৰো নীৰবে চকু পানী মচে ।

"যোৱাকালি চেন্ট্ৰেল হস্পিতেলৰ পৰা খবৰ পঠালে । তাক সিঁহতে বিচাৰি পাইছে । কথাটো জানিব পাৰি খুব আনন্দ পালোঁ, তাৰ একমাত্ৰ ভনীয়েক জনীৰ মুখত এধানিমান হাঁহি বিৰিঙি উঠিল। মইও বহুদিনৰ মূৰত হাঁহিবলৈ চেষ্টা কৰিলোঁ । ততাতৈয়াকৈ গৈ অসংখ্য ৰোগীৰ মাজত তাক বিচাৰি পালোঁ । কিন্তু সি মোৰ ওপৰত অভিমান কৰিছে বোপা, অভিমান কৰিছে ।"

"অভিমান কৰিছে ? কিয় ?"

"বন্ধুৰ ওচৰৰ পৰা আঁতৰাই চহৰত থোৱাৰ বাবে । সি মোক এযাৰি মাতো নিদিয়ে, মূৰ তুলিও নাচায়, ওচৰলৈকো নাহে ।"

হয় দেউতা, তাৰ অভিমানৰ কথা মই জানো । তাক লগ পালে মই ঠিক কৰিম দেউতা ।"

কথাখিনি কৈ সুধীৰে অকণমান হাঁহিবলৈ চেষ্টা কৰে ।

"নোৱাৰা বোপা, নোৱাৰা । তাৰ ভীষণ খং, অভিমান । পিতৃ-মাতৃ, ভাই - ভনী, বন্ধু -বান্ধৱ কাকো নিচিনে । বাপেকৰ নিষ্ঠুৰতাই তাক নিষ্ঠুৰ কৰি তুলিছে ।"

"আপুনি চিন্তা নকৰিব দেউতা । মোৰ কথা সি মানিব । মই তাৰ আৰু সি মোৰ প্ৰাণৰো প্ৰাণৰ । সৰুৰে পৰা একেলগে পঢ়া, একেলগে স্কুলত খেলা - ধূলা, একেলগে খোৱা - লোৱা ......"

হঠাৎ সুধীৰৰ গাঁটো শিঁয়ৰি উঠিল, আবেগৰ বশবৰ্তী হৈ সি কি কথা ক'বলৈ ওলাইছে । নিজকে খুব লাজ পালে । যিজন ব্যক্তিয়ে সিহঁতৰ মিলা-প্ৰীতিত বিৰোধিতা কৰিছিল অথচ..

"এৰা বোপা, তোমাৰ কথাখিনি আধৰুৱা হৈ গ'ল নহয়? এৰা হ'বই মই বহুত অন্যায় কৰিছোঁ । আনৰ অন্তৰত জুই জ্বলাই দি আজি নিজেও সেই জুইত দহি - পুৰি মৰিছোঁ । বুজিছা বোপা, সেই জুইৰ ফিৰিঙতিয়ে বাপুকণৰ ডাঙৰ বেমাৰৰ সৃষ্টি কৰিছে, অ' ডাঙৰ বেমাৰ "

"ডাঙৰ বেমাৰ ?"

"এৰা, ডাঙৰ বেমাৰ, তাক ভাল কৰিবলৈ কোনো ডাক্তৰ নাই, ঔষধ নাই ।"

তেওঁ হুকহুকাই কান্দে, সুধীৰে তেওঁক সান্ত্বনা দিয়ে ।

"মই ডাক্তৰ দেউতা, মই ডাক্তৰ, তাক মই ভাল কৰিম ।"

"এৰা তুমি ডাক্তৰ হ'লা । নাই নাই, তুমিও নোৱাৰা বোপা, তুমিও নোৱাৰা ।"

"কিয়, কি হৈছে ?"

"ডাক্তৰে কৈছে তাৰ দেহত এইচ, আই, ভি পজিটিভ......"

সুধীৰে এইবাৰ বজ্ৰাহত হোৱাৰ দৰে হ'ল । ইতিমধ্যে ফুকনে কান্দি কান্তি অৱশ হৈ পৰিল । সুধীৰে তেওঁক সাবটি ধৰিলে । দুয়ো পাৰে মানে কান্দিলে । ইমান দিনে সিহঁতৰ মাজত থকা উচ্চ-নীচৰ প্ৰাচীৰখন ভাঙি চুৰমাৰ হ'ল । জীৱনত প্ৰথমবাৰৰ বাবে ফুকনে যেন পবিত্ৰ অন্তৰৰ পৰশ পালে । নিশ্চয় মানুহৰ পৰিচয় উচ্চ নীচত নহয়। হ'ব নোৱাৰে । এনে অপত্য স্নেহ ভালপোৱাতকৈ মানুহৰ জীৱনত কিজানি আৰু একো নাই । লাজ - শোকত ফুকন একেবাৰে অৱশ হৈ পৰিল । সুধীৰে তেওঁক সাৱটি ধৰি থাকিল ।

এটা সময়ত নিৰ্দিষ্ট স্থানত বাছখন আহি পোৱাৰ পিছতো সিহঁতৰ গাত হুচ নাই । বিনন্দ মাষ্টৰে গাড়ীৰ খিৰিকীখনলৈ আঙুলিয়াই দিয়াত অপেক্ষাৰত মাকে ততাতৈয়াকৈ গাড়ীখনলৈ উঠি গ'ল । কিন্তু তাই হঠাৎ থমকি ৰ'ল আৰু অবাক বিস্ময়ে চাই ৰ'ল — ভূপতি ফুকনে সুধীৰৰ বাহু বন্ধনত আৱদ্ধ হৈ আছে । অজানিতে এটোপাল তপত চকুলো বাগৰি আহিল । সঁচাকৈ এয়া বেদনাশ্ৰু নে আনন্দাশ্ৰু ? সঁচাকৈ পৃথিৱীলৈ এনে এটা দিন আহিল নেকি য'ত মানুহৰ পৰিচয় অকল মানুহ !

❑❑

# বিষাদ



প্ৰফুল্ল কুমাৰ বড়ো
উঃ মাঃ ২য় বৰ্ষ (কলা)

শীতকালৰ বতৰ । ৰাতিপুৱা তেতিয়া ৯ মান বাজিছে । পোহৰ হোৱাৰ পৰা কুঁৱলী পৰিছিল যদিও এতিয়া সূৰ্যৰ প্ৰচণ্ড শক্তিয়ে সমস্ত কুঁৱলী আঁতৰাই পেলাইছে । আকাশত সূৰ্যই অবাধ আধিপত্য স্থাপন কৰিছে ।

চোতালখনৰ এচুকত চকী এখনত বহি ৰীণাই তাইৰ আকৰ্ষণীয় ঘনকৃষ্ণ চুলিকোছা ফণিয়াই আছে । আজি তাই তাইৰ সহপাঠী বান্ধৱী কুঞ্জৰ ঘৰলৈ যোৱাৰ কথা । সেয়ে হয়তো তাই প্ৰাতঃকৰ্মাদি কৰি গা - পা ধুই পুৱাৰ মিঠা ৰ'দত মূৰ ফণিয়াবলৈ ধৰিছে । এইবাৰ তাইৰ বান্ধৱী কুঞ্জও তাইৰ সৈতে একেলগে বি-এ পাছ কৰিলে । সেয়ে হয়তো বান্ধৱী কুঞ্জই সম্প্ৰতি কি কৰাৰ চিন্তা কৰিছে এই সকলোবোৰ কথা জনাৰ আগ্ৰহেৰে তাই আজি সিহঁতৰ ঘৰলৈ যাবলৈ ওলাইছে । আনহাতে মূৰ ফণিয়াই-ফণিয়াই তাই ভাবিছে কুঞ্জই যদি তাইক প্ৰশ্ন কৰে তাইৰ সিদ্ধান্ত সম্পৰ্কে তাই নিজে কি উত্তৰ দিব ? মনলৈ আহিছে তাইৰ বহুতো খেলি - মেলি চিন্তা । টকা - পইচাৰ কথা । তাইৰ ইচ্ছা আছে ইউনিভাৰচিটিত পঢ়াৰ । কিন্তু হ'ব কি ? পেট্ৰোল অবিহনে ড্ৰাইভাৰে গাড়ী চলাবলৈ ইচ্ছা কৰিলেও গাড়ী আগ নবঢ়াৰ দৰে তাইৰো জানোচা একে দশাই হয় ?

ঘৰৰ আৰ্থিক দিশ টনকিয়াল নহয় । দেউতাক কিছু বছৰ আগতে এক দুৰ্ঘটনাত ঢুকাল । দদায়েকে বি-এ টো পাছ কৰি দূৰৰ গাঁৱৰ এখন হাইস্কুলত বহু দিন খাটিলে । চাকৰি নহ'ল সঁচা কথা । কিন্তু স্কুলখনৰ ওচৰেৰে ৰূপৱতী ছোৱালী জ্যোৎস্নাৰ প্ৰেমত পৰি তাইক নিজ ইচ্ছাৰে ঘৰ চপাই ল'লে । বাধা দিবলৈ কোনো নাই । দেউতাকতো আগতে ঢুকাইছে । বেচেৰী মাকে কৰিব কি ? সকলো হ'ব লগা হৈ গ'ল । সেই দিন ধৰি তাৰ স্কুললৈ যোৱাৰো ইতি

পৰিল । কাৰণ দৰ্মহা নোহোৱাকৈ স্কুলত কাম কৰি কোন ৰাজকুমাৰে কেইদিন তিৰোতা পুহিব ? তদুপৰি শিক্ষকতা কৰিববৈলে গৈ স্কুলৰ কাষৰে ছোৱালী পলুৱাই অনাটো এক চৰম লজ্জাজনক । বেচেৰাই এতিয়া খেতি - বাতিত ধৰিছে । যি পাৰে কিবা-কিবি কৰিছে । ৰাতিপুৱা গাঁৱৰ এল্-পি স্কুলখনত কেইটামান ল'ৰা ছোৱালীক টিউচন কৰে । এনেকৈয়ে চলিছে এক প্ৰকাৰ । বীণাইও পুৱা গধূলি ঘৰতে ঠিক কৰি লোৱা ডেক্স-বেঞ্চ কেইযোৰত কেইটামান হাইস্কুলৰ ল'ৰা ছোৱালীক ইংৰাজী গ্ৰামাৰৰ টিউচন কৰে । অৱশ্যে আজি তাইৰ টিউচন নাই । কাৰণ আজি শনিবাৰ । শনিবাৰ আৰু ৰবিবাৰ এই দুদিন তাই টিউচন নকৰে । যি পাৰে তাইও কিবা - কিবি কৰি কিছু সাধাৰণ উপাৰ্জন কৰে এনেকৈয়ে বহু কষ্টৰে পাছ কৰিলে বি-এ পৰীক্ষা।

মূৰ ফণিয়াই থাকোঁতে নবৌয়েক জ্যোৎস্নাই কাষলৈ আহি মাত লগালে — "ৰীণা, ব'লাচোন আজি তোমাৰ অনন্ত চাৰহঁতৰ ঘৰলৈ যাওঁ । তুমি তোমাৰ চাৰৰ কথা মাজে সময়ে বৰকৈ কৈ থকা নহয় । যোৱা কালি ঘৰৰ পৰা দেউতা অহাত শুনিলোঁ তেখেতৰ বোলে গা বৰ ভাল নহয় । বয়সো হ'ল নহয় । এবাৰ খবৰকে কৰি আহোঁগৈ । তুমি চাগৈ আজিলৈ চাৰৰ ঘৰটোও দেখা নাই । এবাৰ চাইও আহিবা ।"

ৰীণাৰ হাইস্কুলৰ হেডচাৰ অনন্ত চৌধুৰীৰ কথা মাজে - সময়ে বাৰুকৈয়ে মনত পৰে । নবৌয়েকক তাই বহুদিন লগ ধৰিছিল এবাৰ চাৰৰ ঘৰলৈ গৈ আহিববৈলে । কাৰণ নবৌৰেকজনী বোলে তাইৰ চাৰহঁতৰ কিবা অওহী - বওহী হয় । কিন্তু নবৌয়েক জনী যাবলৈ প্ৰস্তুত নাছিল। মাথোঁ কৈছিল কেতিয়াবা পাৰিলে যাম দিয়া । আচলতে নবৌয়েকৰ কথাটো অলপ সুকীয়া । তাইক অৰ্থাৎ জ্যোৎস্নাক অনন্ত চৌধুৰীয়ে পঢ়া-শুনাত বহুতো সহায় কৰি দিছিল দুখীয়া সম্পৰ্কীয় ছোৱালী বুলি । কিন্তু তাই সকলো ত্যাগ কৰি ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰৰ পৰীক্ষাটো দিয়ে লোকৰ ঘৰলৈ গুচি আহিল তিৰোতা হ'বলৈ। অনন্ত চৌধুৰীৰ আগত মুখ উলিয়াব নোৱাৰাৰ এইটোও হয়তো তাইৰ এক কাৰণ ।

হঠাতে নবৌয়েক জ্যোস্নাই বীণাক তাইৰ হেডচাৰৰ ঘৰলৈ যাবলৈ লগ ধৰাত তাই এক প্ৰকাৰ ভালেই পালে । তাই আজি আৰু বান্ধৱী কুঞ্জৰ ঘৰলৈ যোৱাটো নাকচ কৰিলে । মূৰ ফণিয়াই থকা চকীখনৰ পৰা উঠি তাই নবৌয়েকৰ সৈতে যাবলৈ সাজু হোৱাত লাগিল। বাছৰ চিটত বহি তাই চাৰৰ কথাকেই ভাবিছে । কিমান দিন যে হ'ল, তাই চাৰক নেদেখা । সিহঁত ক্লাছটৈনত থাকোঁতেই অৱসৰ পাইছিল চাৰে । তাইক পঢ়িব পৰা কাৰণে চাৰে যে কিমান মৰম কৰিছিল । কিমান যে ইচ্ছা আছিল তাইৰ এদিন মান স্কুলৰ পৰা সিহঁতৰ ঘৰলৈ চাৰক মাতি অনাৰ । স্কুলখনতো বেছি দূৰত নাছিল। মাথোঁ মাজতে দুখন গাঁৱৰ পাৰ হ'লেই পায় চাৰৰ ঘৰ । কিন্তু তাইৰ চাৰক নিমন্ত্ৰণ কৰাৰ সাহস নাছিল । ভাবিছিল চাৰক খাবলৈ বা দিব কি ? খালি ৰঙা চাহ একাপ কেইখনমান বিস্কুটেৰে সৈতে । ইফালে ঘৰ - বাৰীৰ অৱস্থা। নাই, তাই চাৰক ঘৰলৈ মাতি অনাৰ সাহ কৰি কৰিব নোৱাৰিলে । হয়তো আতিথ্য কৰাত অসুবিধা হ'ব বুলি । তদুপৰি অকল হেডচাৰক নিমন্ত্ৰণ কৰিলেই নহ'লহেঁতেন; চাৰৰ পিছ নেৰা হুচেইন চাৰ আৰু ঠাকুৰীয়া চাৰকো নিশ্চয় নিমন্ত্ৰণ কৰিব লাগিলেহেঁতেন । মনত পৰে সঁচাকৈ হেডচাৰৰ যে কেনে এক বিৰাট অনুৰাগ আছিল ছাত্ৰ - ছাত্ৰীৰ প্ৰতি । সেয়ে হয়তো অফিচৰ কামৰ মাজতো ক্লাছ টেনত নিজে অসমীয়াৰ পাঠ লৈছিল । কিমান যত্ন সহকাৰে, কিমান হাস্য ৰসেৰে পাঠদান কৰিছিল । আজিও মনত পৰিলে ভাল লাগে। ভয় লাগে চাৰৰ নিয়মানুবৰ্তিতা, ক্লাছৰ কঠোৰ শাসনৰ কথা মনত পৰিলে । হেডচাৰক সঁচাকৈয়ে তাই খুব শ্ৰদ্ধা কৰে, ভাল পায় । ক্লাছত পাঠদানৰ মাজতে কেৱল হাস্যৰস দিয়াই নহয় কিমানযে সজ সজ উপদেশ দিছিল । যিবোৰ তাইক আজিও আগবাঢ়ি যাবলৈ ইন্ধন যোগায় । মনত পৰে পাঠদানৰ মাজতে চাৰে বোৰ্ডত লিখি দিয়া সেই বিৰাট প্ৰেৰণা বাণী — "Success is sweet, but it's secret is sweat" বোৰ্ডত লিখি দি চাৰে কৈছিল — "কৃতকাৰ্যতা মধুৰ, কিন্তু ইয়াৰ অন্তৰালত ঘাম নিহিত হৈ আছে । আমি যেতিয়া কাম এটাৰ সফলতা অৰ্জন কৰিম সেয়া আমাৰ বাবে খুব মিঠা বা আনন্দৰ কথা । কিন্তু তাৰ বাবে আমি এনেকুৱা শ্ৰম কৰিব লাগিব যে আমি ঘামি-জামি যাব লাগিব । তাৰ মানে আমি সফলতা লাভৰ বাবে অত্যন্ত শ্ৰম কৰিব লাগিব।" ইংৰাজীত লিখি দিয়া এই কাথাষাৰ তাই বহীত লিখি লৈছিল । অৱশ্যে চাৰে লিখিববৈলে কৈ দিয়া নাছিল । আৰু কথাষাৰ তাই কেইটামান উপদেশ পূৰ্ণ ইংৰাজী বাক্যৰ লগত একেলগে লিখি পঢ়া টেবুলৰ সম্মুখৰ বেৰত ওলমাই ৰাখিছিল । সেয়া তাইৰ বাবে প্ৰেৰণাৰ উৎস আছিল । মনত পৰে তাইৰ চাৰৰ বিদায় লোৱা দিনটো । অৱশ্যে তেতিয়া তেওঁলোকে মেট্ৰিক পাছ কৰি কলেজলৈ গৈছিল । তথাপিও শ্ৰদ্ধাৰ চাৰৰ বিদায়ৰ সভাত সিহঁতে উপস্থিত আছিল। সেই দিনা চাৰে ভঙা-ভঙা মাতেৰে কৈছিল — "ছাত্ৰ - ছাত্ৰীবৃন্দ, তোমালোক সদায় মোৰ ল'ৰা - ছোৱালীৰ নিচিনা । তোমালোকৰ স'তে হাঁহি - তামাছা কৰি মই নিজকে ভাল পাইছিলোঁ । তোমালোকৰ লগত মই মোৰ সম্বন্ধ বজাই ৰাখিবলৈ চেষ্টা কৰিছিলোঁ । বেলেগ ক্লাছত মই তোমালোকৰ ক্লাছ না পাওঁ । আমাৰ শিক্ষক আছেই । তথাপি মই ক্লাছ টেনত অসমীয়া সাহিত্য বুজাও । মই ভালকৈ জানো মোৰ ছাত্ৰ - ছাত্ৰীবৃন্দ; তোমালোক এই ক্লাছ টেনত মাথোঁ দুদিনমান থাকিয়েই আমাৰ মাজৰ পৰা বিদায় লোৱা । সেইহেতু মই এই ক্লাছটোত তোমালোকৰ স'তে হাঁহি - ধেমালি কৰাৰ মানসেৰে তোমালোকৰ পাঠ লৈছিলোঁ। নাজানো মই তোমালোকক কিবা দিব পাৰিছোঁনে নাই ।" চাৰে শেষৰ পিনে বেছি কঁপা - কঁপা মাতেৰে কথাবোৰ কৈছিল। সেইবোৰ কথা মনত পৰিলে তাইৰ অত্যন্ত দুখ লাগে । তাইৰ মনত পৰিছে যিদিনাখন কুঞ্জ, লক্ষ্যধৰ আৰু তাই একেলগে মেট্ৰিকৰ মাৰ্কছীট্

ল'বলৈ গৈছিল, সিহঁতৰ কাৰো সাহস নাছিল অফিচৰ ভিতৰলৈ যোৱাৰ। কাৰণ চাৰে সিহঁতক দেখা পাই শুনাকৈয়ে কৈছিল — "আহকচোন কোন আহে মাৰ্কচীট্ ল'বলৈ । ইমান ভাল ৰিজাল্ট আশা কৰিছিলোঁ।" সিহঁত ভাবিবলৈ বাধ্য হৈছিল চাৰৰ ভীষণ খং উঠিছে । তচ্‌বজীয়া চেহেৰাৰ চাৰে গোল গোলীয়া মাতেৰে খঙৰ ভাৱ প্ৰকাশ কৰাত সিহঁতৰ তিনিওৰে অন্তৰ দুৰু - দুৰুকৈ কঁপিবলৈ ধৰিছিল । অৱশেষত চাৰে চকীদাৰ শৰতক কৈছিল "অ' শৰত, বাহিৰত কোন কোন আছে ? মাৰ্কচীট লাগে যদি আহিবলৈ দে।" বাহিৰত অফিচৰ কাষতে থকা বকুল জোপাৰ তলতে সিহঁত তিনিও ভয়ে ভয়ে থিয় হৈ আছিল। হেডচাৰৰ আদেশত চকীদাৰে মতাত সিহঁত ভয়ে ভয়ে অফিচ ৰুমত প্ৰৱেশ কৰিছিল । বগা চশমাৰ মাজেৰে চাৰে সিহঁত তিনিওকে ভালকৈ চাইছিল । সিহঁতে ভাবিছিল চাৰে যেন আৰম্ভ কৰিব লানি নিছিগা গালি। পিচে চাৰে শান্ত ভাৱেই সিহঁতক কৈছিল — "মই ভাবিছিলোঁ তোমালোক তিনিওজনে ফাৰ্ষ্ট দিভিজন ৰাখিবা । পিচে চেকেণ্ডহে ৰাখিলা । এয়া মোৰ বাবে অত্যন্ত দুখ । এইবাৰ আমাৰ স্কুলৰ কেইবাজনো দ্বিতীয় বিভাগ পাইছে । এইটো দুখীয়া গাঁৱলীয়া স্কুলৰ ৰিজাল্ট হিচাপে বৰ ভাল হৈছে । কিন্তু তোমালোক তিনিজনে আৰু যদি অলপ কষ্ট কৰিলাহেঁতেন তেন্তে নিশ্চয় ফাৰ্ষ্ট দিভিজন পালাহেঁতেন। তোমালোক তিনি প্ৰতিদ্বন্দ্বীক মই ভালকৈ জানো নহয় । প্ৰতিটো ক্লাছত তোমালোকৰ মাজতে চলিছিল প্ৰতিযোগিতা। তোমালোক তিনিওজনেই আছিলা আগৰণুৱা । আটায়ে দুখীয়া ঘৰৰ ল'ৰা - ছোৱালী। খুব কষ্ট কৰি পঢ়িব লগা হয় । তথাপি ৰিজাল্ট বহু ভাল কৰিছা । পঢ়িবা-পঢ়িবা কলেজত আৰু ভাল — ।" কথা শেষ কৰি এখন এখন কৈ মাৰ্কচীট সিহঁতৰ হাতে হাতে তুলি দিছিল। সিহঁতৰো মনৰ ডাঁৱৰবোৰ গুচি ফৰকাল হৈছিল । এনেদৰে বহু কথা সোঁৱৰণ কৰিছে তাই বাছৰ চিটত বহি থাকিয়েই । বাছ ক'ত ক'ত ৰাখিছে, কেনেকুৱা যাত্ৰী উঠা-নমা কৰিছে সেইবোৰ তাই খবৰ ৰখা নাই । কাষতে নবৌয়েকজনী সম্মুখৰ পিনে দৃষ্টি নিক্ষেপ কৰি বহি আছে । দেখাত তাইও যেন কিবা চিন্তাহে কৰি আছে । এটা সময়ত সিহঁত নামিব লগা ঠাইখন পালে । নবৌয়েক জনীৰ মাতত তাইৰ অতীতৰ সোঁৱৰণৰ সিমানতে অন্ত পৰিল ।

বাছৰ পৰা নামি কিছু দূৰ যোৱাৰ পাছত পালে তাইৰ হেডচাৰ অনন্ত চৌধুৰীৰ ঘৰ । চোতাললৈ সোমাই যোৱা ৰাস্তাটো দীঘল । আগে-আগে নবৌয়েক, পিছে পিছে তাই । তাইৰ মনত এক বিপুল আনন্দ । আজি কিমান দিনৰ অন্তত তাই চাৰৰ স'তে মুকলিকৈ কথা পাতিব । আনহাতে মনে মনে ভয়ো লাগিছে । তাই বা চাৰৰ সৈতে কেনেদৰে কথা - বতৰা পাতিব ।

চোতাল পোৱাত হেডচাৰৰ ঘৈণীয়েকে সিহঁতক দেখি মাত লগালে, "অ' জ্যোৎস্না হঁত দেখোন ! কৰ পৰা আজি হঠাতে ? আহা আহা, ভিতৰলৈ আহা ।" সিহঁত দুয়োকো এটা আহল - বহল কোঠাত বহিবলৈ দি কথা-বতৰা পাতিব ধৰিলে । ৰীণাৰ পৰিচয় ল'লে। বাইদেউয়ে কিছু সময় কথা পাতি ক'লে, "তোমালোক বহাচোন। মই ভিতৰৰ পৰা আহি আছোঁ । মাজনীকো গাঁৱৰ এঘৰলৈ পঠাইছোঁ। আহিব হৈছে আৰু । ডাঙৰ বোপাতো স্কুলতে আছে । অ' জ্যোৎস্না, সি হাই স্কুল এখনত সোমাইছে নহয় ।" বাইদেউৱে চাহৰ যোগাৰ কৰিবলৈ ভিৰতলৈ যায় । ৰীণাই ভাবে — চাৰৰ কোনোবা ডাঙৰ বোপাই তেনেহ'লে কোনোবা স্কুলত সোমাইছে । এবাৰ দেখা পালে ভাল আছিল । কথাষাৰ ভাবি পিছ মুহূৰ্ত্ততে তাইৰ লাজো লাগিল । বোধহয় তাই অবিবাহিতা ছোৱালী কাৰণেই নেকি ?

ক্ষন্তেক পিছতে সিহঁত থকা ৰুমলৈ চাৰৰ জীয়েক কল্পনা সোমাই আহিল। তাই সিহঁতক দেখি আচৰিত হৈ ক'লে — "আৰে, জ্যোৎস্না বাইদেউহঁত দেখোন ! কৰ পৰানো আজি হঠাতে ধুমকেতুৰ নিচিনাকৈ দেখা দিলা ? মই ভাবিছিলোঁ আমাৰ ঘৰ-বাৰী কেতিয়াবাই পাহৰি পেলাইছা ।" অভিমানৰ সুৰত তাই ক'বলৈ ধৰিলে । ৰীণাৰ সৈতে কল্পনাৰ চিনাকি পৰ্ব আৰম্ভ হয় । নবৌয়েক জ্যোৎস্না মধ্যস্থতাকাৰী । সিহঁত দুয়োজনীয়ে পঢ়া শুনাকে আদি কৰি বহু কথা পাতিলে । কথাৰ মাজতে ৰীণাই কল্পনাক চাৰৰ কথা সুধিলে —

"চাৰ ঘৰত নাই নেকি ? গা অসুখ বুলিও শুনিছিলোঁ ।"

"অ' আছে । আজি ভালেমান দিন হ'ল দেউতাৰ গা ভাল নহয়। সৌ ৰুমটোত শয্যাশায়ী হৈ আছে । দেউতাৰ এতিয়া বিচনাই সঙ্গী হৈছে ।" কল্পনাই কিছু দুখমনে কথাখিনি কয় ।

"ব'লাচোন আমি ৰুমটোলৈ যাওঁ ।", ৰীণাই বহাৰ পৰা উঠি কয়।

"অ' ব'লাচোন ।" নবৌয়েক জ্যোৎস্নাই ক'লে ।

তিনিও ৰুমটোত প্ৰৱেশ কৰিলে । চাৰে টোপনি গৈ আছে । নাকেৰে বাজি থকা শব্দই সেয়া স্পষ্ট কৰিছে । কল্পনাই সিহঁতক কয় "দেউতা টোপনি গৈছে । এতিয়া সাৰ পালে কথা হ'ব পাৰিবা।" বিচনাখনৰ কিছু আঁতৰত থকা বেতৰ চকীত সিহঁত দুয়োকো বহিবলৈ দিয়ে । ৰুমটো আহল - বহল । সিহঁত বহা ঠাইৰ পৰা চৌধুৰী শুই থকা বিচনাখন কিছু দূৰেই হয় । কিছু সময় পাছতে বাইদেউৱে চাহৰ লগত বহুত কিবা কিবি লৈ সিহঁত থকা ৰুমটোলৈ সোমাই আহে । আৰু সেইবোৰ টেবুল এখনত দি সিহঁত দুয়োকো খাবলৈ দি কয় — "কিনো খাবা ? বহুদিনৰ মূৰত আহিছা । খোৱা ।"

"তেনেহ'লে চাহৰ লগত এই বিলাক কিয় দিছে বাইদেউ ?" ৰীণাই খাবলৈ দিয়া বস্তুত দৃষ্টি নিক্ষেপ কৰি কয় । সিহঁত আটায়ে অলপ হাঁহে । চাহ খোৱা শেষ হয় । সিহঁতে বহু কথা পাতে । তাই চাৰৰ বেমাৰৰ কথালৈ আহে ।

"বেমাৰ আজি বহুত দিনৰ পৰাই । কেইবাটাও বেমাৰ । এটা

বেমাৰৰ ঔষধ খালে আনটো বেমাৰ বেছি হয় ।ডাক্তৰে শেষত হাত ডাঙি দিলে । চিকিৎসাৰ আশা বাদেই দিলোঁ ।" — বিষণ্ণভাৱে বাইদেউয়ে কথাখিনি কয়। কথাখিনি শুনি ৰীণাৰ বেয়া লাগে । তাই কিবা ক'বলৈ বিচাৰিছিল এনেতে তাইৰ চাৰে সাৰ পাই শুৱাৰ পৰা বহিবলৈ বিচাৰে। নিজে গাত বল নাপায় ।বাইদেউ আৰু জীয়েকজনী ওচৰলৈ গৈ গাত ধৰি উঠাই দি বেৰখনত আউজি থাকিব পৰাকৈ বিচনাখনতে বহাই দিয়ে ।ৰীণাই চাৰৰ শৰীৰটোলৈ চাই আচৰিত হয়। শুই থাকোঁতে চাৰে যিহেতু গাত কাপোৰ লৈ আছিল সেইহেতুকে তাই তেওঁক ক্ষীণাইছে বুলি ক'ব পৰা নাছিল ।কিন্তু এতিয়া ভালকৈ দেখি তাইৰ দুখ লাগিছে । তাইৰ চাৰৰ অতীতৰ সেই পকা ঠেকেৰাহেন চেহেৰাটো যে আৰু নাই ; হাড়ে-ছালে লাগি দেখিবলৈ একেবাৰে বেলেগ হৈছে। তাইৰ চাৰ যে ইমান দুৰ্বল হৈ পৰিছে ।নিজে শোৱাৰ পৰা উঠিবলৈকো শক্তিকণ নাই ।হায় ! সময়ৰ কি নিষ্ঠুৰ পৰিহাস।

জ্যোৎস্নাই কাষলৈ গৈ মাত লগালে — "পেহাদেউ অ পেহাদেউ ।" তেওঁ যেন একো শুনা নাই । কেৱল তাইৰ পিনেই চাই আছে ।জীয়েক কল্পনাই কয় "দেউতাই লাহেকৈ ক'লে একো নুশুনে। অলপ ডাঙৰকৈ মাত ।" ৰীণাও বিচনাখনৰ কাষতে দুখমনে চল-চলীয়া চকুৰে তাইৰ চাৰৰ পিনে দৃষ্টি নিক্ষেপ কৰি আছে । জ্যোৎস্নাই ডাঙৰকৈ পেহাদেউ বুলি মাত দিয়াত তেখেতে শুনে আৰু দুৰ্বল কণ্ঠস্বৰেৰে ক'বলৈ ধৰে — "অ' -কো-ন-অ' ? ম-ই দেখোন মাতটোকে ধৰিব পৰা নাই । চিনিবও পৰা নাই ।"

"মই জ্যোৎস্না, পেহাদেউ"

"জ্যো-ৎ-স্না....... জ্যো-ৎ-স্না তুমি —।" তেওঁ যেন আৰু কিবা কলেহেঁতেন, তেনেতে জ্যোৎস্নাই ক'লে, " এওঁক চিনি পাইছেনে পেহাদেউ ? আপোনাৰ ছাত্ৰী ৰীণা ।"

"কোন ৰী-ণা ? আগেয়ে দেখা ম-ন-ত নপৰে ।" চাৰে ৰীণালৈ একেথৰে চাই থাকি কয় ।

"দেউতাই আজি কালি বহু কথা একেবাৰেই পাহৰি গৈছে। আগতে চিনাকি বহু মানুহক এতিয়া চিনিবই নোৱাৰে ।" জীয়েক কল্পনাই কয় ।

ৰীণাই তাইৰ চাৰৰ অৱস্থা প্ৰত্যক্ষ কৰি শোকাতুৰ হৈ পৰে। যিজন চাৰে স্কুলত তাইক কিমান মৰম কৰিছিল ; সেই চাৰৰ স্মৃতি শক্তি আজি ম্লান হৈছে । তাইক মুঠেই চিনিব পৰা নাই । সম্পূৰ্ণ পাহৰি পেলাইছে । "কোন — ৰীণা ? আগেয়ে দেখা মনত নপৰে" — এয়া চাৰে নিজ মুখৰে কৈছে । তাই এনেকুৱা সময়তহে চাৰৰ ঘৰলৈ আহিবলৈ পালেনে ? আগতে এবাৰ নাহিল কিয় ? এয়াতো চাৰৰ দুখজনক বৃদ্ধাৱস্থা । যি বৃদ্ধাৱস্থাক টকা পইচাৰে নিৰাময় কৰিব নোৱাৰি তাইৰ চাৰে এই পীড়াদায়ক বৃদ্ধাৱস্থা ভুগিলে বহু দিন । তাই জানে বৃদ্ধলোকে সচৰাচৰ বিস্মৃতিৰ গৰাহত পৰে । বাৰ্ধক্যৰ লগে লগে দেহৰ স্নায়ু কোষবোৰ দুৰ্বল হয় আৰু অভিজ্ঞতাৰ প্ৰতি ৰূপ সংৰক্ষণত একেবাৰে অক্ষম হৈ পৰে । দেহ -মনলৈ আহে স্বাভাৱিক অলসতা ।ফলস্বৰূপে বাস্তৱ অভিজ্ঞতাৰ সাঁচ মনত ধৰি ৰাখিব নোৱাৰি বিস্মৃতিৰ কবলত পৰে । সেয়ে তাইক চাৰে পাহৰি যোৱাতো স্বাভাৱিক। কিন্তু তাই সহজ হ'ব পৰা নাই । অজ্ঞাতে তাইৰ সেন্দুৰীয়া গালৰ ওপৰেৰে চকুলো বাগৰি আহিছে । উচুপি-উচুপি কান্দি উঠিছে তাই । বাইদেউয়ে তাইৰ হাতত ধৰি কৈ আছে, "নাকা-ন্দিবা মাজনী । তুমি কান্দিলে আমিও কান্দি দিম ।কিমান সহ্য কৰি আছোঁ সকলো জালা যন্ত্ৰণা। তুমি বোধহয় আগেয়ে দেখা নাছিলা জীৱনত আনৰ জালা-যন্ত্ৰণা । গৌতম বৌদ্ধৰ দৰে এয়াই যেন তোমাৰ প্ৰথম প্ৰত্যক্ষ কৰা দিন। সহজ হোৱা মাজনী — নাকান্দিবা। তুমি কান্দিলে—"

কিন্তু তাই উচুপি উচুপি কান্দিয়েই থাকিল । যি কান্দোন তাই নিজে বন্ধ কৰিবলৈ অসমৰ্থ সেই কান্দোন বন্ধ কৰিবলৈ কোনে তাইক কৈছে -"নাকান্দিবা মাজনী" বুলি । এয়াতো সহজ নহয় । এয়াতো প্ৰকৃত কান্দোন ; যি শোকাতুৰ হৃদয় কোণৰ পৰা আপোনা আপুনি নিগৰিত হৈছে । পাৰাপাৰহীন অনন্ত সমুদ্ৰত এটি ঢৌয়ে যেনেকৈ অগণন ঢৌৰ সৃষ্টি কৰে সেইদৰে তাইৰ শ্ৰদ্ধাৰ চাৰৰ পীড়াদায়ক অৱস্থাই মাথোঁ তাইক দিছে অসীম বেদনা । বিশাল সমুদ্ৰত ঢৌবোৰ এটা সময়ত যেনেকৈ আপোনা-আপুনি বিলীন হৈ যায়, তাইৰ সেই ওলাই অহা কান্দোন হৃদয়ৰ পৰাই নিজে নিজেই স্তব্ধ হ'ব লাগিব ।

□□

# শ্ৰদ্ধাৰ্ঘ্য

*"মৃত্যুওতো এটা শিল্প*
*জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।"*
- হীৰেন ভট্টাচাৰ্য (সুগন্ধি পখিলা)

জীৱনত মৃত্যু অনিবাৰ্য। সেই কথা সকলোৰে জানে। কিন্তু কেতিয়াবা সেই মৃত্যু হৈ পৰিব পাৰে অহসনীয়, বিশেষকৈ যেতিয়া সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, ৰাজনৈতিক আদি সকলো দিশতে বৰঙণি আগবঢ়োৱা একো একোজন ব্যক্তিৰ মৃত্যু হয়। ২০০০-০১ ইং বৰ্ষতো অসমৰ ৰাইজে বহু কেইজন ব্যক্তিক হেৰুৱালে, যি কেইজন ব্যক্তিয়ে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিক চহকী কৰাৰ লগতে সামাজিক আৰু ৰাজনৈতিক দিশতো বিশেষভাৱে অৰিহণা আগবঢ়াইছিল। তেনেকুৱা কেইজন মান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়োৱাৰ উদেশ্যেই এই শিতানটো আগবঢ়োৱা হ'ল।

## চৈয়দ আব্দুল মালিক

*"জীৱনে মৰণে মই চিৰদিন অসমীয়া*
*অসমীয়া দেহ-প্ৰাণ-মন*
*জীয়াই থাকোঁতে মই অসমৰে অসমীয়া*
*মৰিলেও হৰি লম অসমৰ অমিয়া মৰণ।"*

স্বদেশক প্ৰাণ ভৰি ভালপোৱা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত একাত্মবোধ অনুভৱ কৰা কথাশিল্পী চৈয়দ আব্দুল মালিকৰ ২০০০ চনৰ ১৯ ডিচেম্বৰত মৃত্যু হ'ল। লগে লগে অসমীয়া ভাষা-সাহিত্যক অৰ্দ্ধ শতিকা জুৰি অৱদান আগবঢ়াই অহা এটা উজ্বল জ্যোতিষ্ক অসমৰ আকাশৰ পৰা অন্তৰ্দ্ধান হ'ল। অসমৰ প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰিলে এক শূণ্যতা, এক অমূল্য ৰতন হেৰুওৱাৰ যন্ত্ৰণা।

"অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ
অসমৰ প্ৰকৃতিয়ে ৰচা,
বিহগ কিন্নৰ য'ত শুনিলে নীৰৱ হয়
অসমীয়া গীত মোৰ হৃদয় ওপচা।"

অসমীয়া ভাষাক প্ৰাণ ভৰি ভালপোৱা এইজন বৰেণ্য ব্যক্তিৰ জন্ম হৈছিল ১৯১৯ চনৰ ১৬ জানুৱাৰীত গোলাঘাট জিলাৰ নাহৰণি নামৰ ঠাইখনত। তেওঁৰ পিতৃৰ নাম অছিল চৈয়দ ৰহমত আলী আৰু মাকৰ নাম আছিল চৈয়দ লুটিফুন্নিছা। চাৰি বছৰতে আনুষ্ঠানিক শিক্ষা জীৱন আৰম্ভ কৰিলেও চৈয়দ আব্দুল মালিকৰ শিক্ষা জীৱনৰ পথ ইমান মসৃণ নাছিল। আৰ্থিক নাটনিয়ে তেওঁৰ শিক্ষা জীৱনত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল। সেই বাধাকো নেওচি তেওঁ ১৯৩৭ চনত যোৰহাট চৰকাৰী উচ্চ-মাধ্যমিক বিদ্যালয়ৰ পৰা ফাৰ্চী ভাষাত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰে। তাৰ পাছতে ১৯৩৯ চনত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা আই-এ, ১৯৪১ চনত কটন কলেজৰ পৰা ইংৰাজীত অনাৰ্চসহ বি-এ আৰু ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যত এম-এ পাছ কৰে।



মালিকৰ কৰ্মজীৱন আছিল বৈচিত্ৰ্যপূৰ্ণ। বি-এ পাছ কৰাৰ পাছতেই তেওঁ কম দিনৰ বাবে গোলাঘাট বেজবৰুৱা চৰকাৰী হাইস্কুলত শিক্ষকতা কৰে। তাৰ পাছত ১৯৪৩ চনত আবকাৰী বিভাগৰ চাব-ইন্সপেক্টৰ আৰু ১৯৪৬ চনত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পাৰ্চিয়ান ভাষাৰ প্ৰবক্তা হিচাপে কাম কৰে। সেইখিনি সময়তে তেওঁ

১৯৪৮ চনত আকাশবাণী গুৱাহাটীত প্ৰগ্ৰেম এছিষ্টেণ্ট হিচাপে যোগদান কৰে। তাৰ পাছত ১৯৫০ চনত তেওঁ ক্ৰমে গোলাঘাটৰ ঢেকিয়াল হাইস্কুল আৰু কুৱালগুৰি হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে। ১৯৫১ চনত তেওঁ যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। পিছলৈ তেওঁ বিভাগটোৰ মুৰব্বী অধ্যাপক হৈছিল।

১৯৪০ চনত 'ওমলা ঘৰৰ ধূলি' নামৰ উপন্যাসখনেৰে সাহিত্যিক জীৱন আৰম্ভ কৰা চৈয়দ আব্দুল মালিকে প্ৰায় আধা শতিকা জুৰি অসমীয়া সাহিত্যৰ বিভিন্ন দিশত অৱদান আগবঢ়াই অসমীয়া ভাষা-সাহিত্যক চহকী কৰি তুলিছিল। কবিতা, গল্প, উপন্যাস, নাটক, শিশু-সাহিত্য, প্ৰবন্ধ, গবেষণামূলক ৰচনা, ব্যঙ্গ ৰচনা আদিৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰা এইজন লেখকৰ সৃষ্টিৰ কথা কম পৰিসৰৰ মাজতে কৈ শেষ কৰিব নোৱাৰি। তেওঁৰ প্ৰকাশিত গ্ৰন্থৰাজি তলত দিয়া ধৰণৰ —

(ক) গল্প সংকলন ঃ (১) পৰশমণি (২) এজনী নতুন ছোৱালী, (৩) ৰঙা গড়া, (৪) প্ৰাণাধিকা, (৫) ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, (৬) মৰম মৰম লাগে, (৭) মৰহা পাপৰি, (৮) শিখৰে শিখৰে, (৯) শিল আৰু শিখা, (১০) বীভৎস বেদনা, (১১) আবৰ্ত, (১২) মৃগনাভি, (১৩) বহুত বেদনা এটোপা চকুলো, (১৪) হাঁহি আৰু চকুলো, (১৫) অৰিহণা, (১৬) পোৱা গাঁওত পহিলা ব'হাগ, (১৭) হাঁহিৰে চকুলো ঢাকি, (১৮) এখন নিলিখা চিঠি, (১৯) ছাই আৰু ফিৰঙতি।

উপন্যাস ঃ (১) ওমলা ঘৰৰ ধূলি (এইখন পৰৱৰ্তী কালত লঃসাংগু নামেৰে প্ৰকাশ পাইছে), (২) বনজুই, (৩) ছবিঘৰ, (৪) মাটিৰ চাকি, (৫) ৰথৰ চকৰি ঘূৰে, (৬) সূৰুযমুখীৰ স্বপ্ন, (৭) সূৰুযমুখীৰ স্বপ্নভঙ্গ, (৮) বন্দৰ, কামিজ, বেলুন, (৯) সুমেৰু, কুমেৰু আৰু এটা বাঁহী, (১০) আধাৰ শিলা, (১১) প্ৰাচীৰ আৰু প্ৰান্তৰ, (১২) ফাগুনৰ শেষ হাঁহি, (১৩) একো বেঁকা বৃত্ত, (১৪) এটা ধুমকেতুৰ শৰশয্যা, (১৫) অন্য আকাশ অন্য তৰা, (১৬) অন্য যুগ বিভিন্ন তীৰ্থ, (১৭) সোণালী সূতাৰে বন্ধা, (১৮) পদুমৰা হাবিৰ বাট, (১৯) জেতুকা পাতৰ দৰে, (২০) অগ্নিগৰ্ভা, (২১) ৰজনীগন্ধাৰ চকুলো, (২২) ড° অৰুণাভৰ অসম্পূৰ্ণ আত্মজীৱনী, (২৩) অঘৰী আত্মাৰ কাহিনী, (২৪) ৰূপতীৰ্থৰ যাত্ৰী — ১, (২৫) ৰূপতীৰ্থৰ যাত্ৰী — ২, (২৬) ভূমিচম্পাৰ কপালৰ সেন্দুৰৰ ফোঁট (২৭) ৰাতিৰ কবিতা, (২৮) ধন্য নৰতনু ভাল, (২৯) সিপাৰে প্ৰাণসমুদ্ৰ, (৩০) জয়া মণিকা ইত্যাদি, (৩১) কবিতাৰ নাম লাভা, (৩২) জীয়া জুৰিৰ ঘাট, (৩৩) উভতি অহাৰ গান, (৩৪) কণ্ঠহাৰ, (৩৫) ৰূপাবৰিৰ পলস, (৩৬) নিঃসঙ্গ মৌপিয়াৰ গীত, (৩৭) শৰীলত একুৰা জুই, (৩৮) স্বাতী নক্ষত্ৰৰ ভস্ম, (৩৯) নল, বিৰিণা, খাগৰি, (৪০) গাঁথনিত তেজৰ কৰাল, (৪১) মনুষ্যত্বৰ মৰিশালিত, (৪২) কেবল প্ৰেমেৰেই যদি, (৪৩) অন্য নাম মৃত্যু, (৪৪) মোৰ বাবে তুমি নুৰুৱা মালতী ফুল, (৪৫) ত্ৰিশূল, (৪৬) মুণিচুনিত চকা-চমকা, (৪৭) দোকমোকালি, (৪৮) এটা সূৰ্য, দুখন নদী, এখন মৰুভূমি, (৪৯) মৌ ডিমৰুৰকোঁহ, (৫০) বিহ মেটেকাৰ ফুল, (৫১) খোৱা নিদান, (৫২) অক্ষয় অব্যয় স্মৃতি, (৫৩) ফুলনিত বজ্ৰপাত, (৫৪) অৰণ্য দেৱতা, (৫৫) অমৰ মায়া, (৫৬) সোণালী আন্ধাৰ, (৫৭) প্ৰেম অমৃতৰ নদী, (৫৮) মই মৰিনো নাযাওঁ কিয়, (৫৯) আপোন আপোন স্বৰ্গ, (৬০) উভতি অহাৰ গান, (৬১) স্মৃতি ৰেখা, (৬২) সত্যৰ পথেৰে শান্তিৰ ৰথেৰে মুক্তিৰ জয়যাত্ৰা

কবিতা সংকলন ঃ (১) বেদুইন, (২) স্বাক্ষৰ, (৩) স্বপ্ন দুস্বপ্ন আৰু অন্য কিছু কথা, (৪) ছন্দহাৰা ছন্দ

গীতৰ সংকলন ঃ তোমাৰ কণ্ঠ মোৰ কথা

জীৱনী ঃ (১) হজৰত মোহম্মদৰ জীৱন কাহিনী, (২) যীশু সদা সজীৱ, (৩) কালজয়ী বাহাদুৰ গাঁওবুঢ়া, (৪) এজন অসমীয়া ভাৰতীয়, (৫) মোৰ জীৱনৰ নহ'লবোৰ, (৬) মোৰ জীৱনৰ আগে-পিছে সোঁৱে-বাঁৱে, (৭) Ajan Fakir – Poet saint of Assam,

শিশুৰ উপযোগী গ্ৰন্থ ঃ (১) কোৰান চৰিফৰ সাৰ কথা, (২) এখন সোণালী দুৱাৰ, (৩) মুকলি মনৰ সাধু, (৪) নানান ফুলৰ কৰণি, (৫) আগলৈ পিছলৈ তললৈ ওপৰলৈ

নাটক ঃ (১) ৰাজদ্ৰোহী, (২) মকৰা জাল, (৩) আলহী ঘৰ, (৪) অন্য এজনী শকুন্তলা, (৫) আজান ফকীৰ, (৬) কাঠফুলা, (৭) দূৰৰ দেৱতা, (৮) খান বাহাদুৰ, (৯) জোৱাৰৰ টৌ, (১০) আধা আঁকা ছবি, (১১) অ' মোৰ আপোনাৰ দেশ

ভ্ৰমণ কাহিনী ঃ (১) মাজত মাথোন হিমালয়, (২) এটা চিনাকি দ্বীপৰ তটৰেখা, (৩) বালি, বেলি আৰু জমজম

গৱেষণাধৰ্মী গ্ৰন্থ ঃ (১) অসমীয়া জিকিৰ আৰু জাৰী, (২) আজান ফকীৰ আৰু সুৰীয়া জিকিৰ, (৩) অসমীয়া জিকিৰ জাৰী সাৰ, (৪) জীৱন সাৰথি নাম, (৫) চুফী আৰু চুফীবাদ, (৬) ৰাইজৰ মুখৰ মাত, (৭) দুৱৰা খায়য়াম নহ'ল (৮) শংকৰদেৱ আৰু অসমৰ সংস্কৃতি

ব্যঙ্গ ৰচনা ঃ (১) খিড়িকী, (২) মিঠা টেঙা জ্বলা কেঁহা তিতা

অনূদিত গ্ৰন্থ ঃ (১) চালাম নতুন পৃথিৱী (উৰ্দু কবি আলি চৰ্দাৰ জাফৰিৰ 'নই দুনিয়াকো চালাম' শীৰ্ষক গ্ৰন্থৰ অনুবাদ), (২) গালিব, (মূল ঃ ড° মুজিবুৰ মিৰ্জা গালিব), (৩) কবি ইকবাল আৰু জাতীয় সংহতি (চৈয়দ মোজফফৰ বাৰ্ণিৰ গ্ৰন্থৰ অনুবাদ), (৪) বগা চুলীয়া ছোৱালীজনী (চীন সাহিত্যিক ইয়ং চীম ইৰৰ গ্ৰন্থৰ অনুবাদ), (৫) সুৰদাস (ব্ৰজেশ্বৰ ৰাওৰ মূল হিন্দী অনুবাদ), (৬) বন গৰবাড়ী (মাৰাঠী ঔপন্যাসিক বেঙ্কটেশ মাদগুৱাৰৰ গ্ৰন্থৰ হিন্দী অনুবাদৰ পৰা অনূদিত), (৮) চিৰকুমাৰ সভা (মূল ঃ ৰবীন্দ্ৰ নাথ), (৯) বঙ্কিম চন্দ্ৰ (মূলঃ

ৰবীন্দ্ৰ নাথ), (১০) আকুৰ কাহিনী (A. H. Kureৰ The true story ৰ অনুবাদ), (১১) অৰণ্য দেৱতা (নুট হামচুৰ পানৰ অনুবাদ) (১২) সাগৰৰ হাত ছানি, (১৩) মৰণ লগৰী, (১৪) তীৰ্থযাত্ৰী,

ইমানবোৰ সৃষ্টিৰে অসমীয়া সাহিত্যক চহকী কৰি যোৱা এই জন সাহিত্যিক বহুতো সন্মানেৰে সন্মনিতও হৈছিল । ১৯৬৫ চনত তেওঁ 'মাজত মাথোন হিমালয়' নামৰ গ্ৰন্থখনৰ বাবে 'ছোভিয়েট দেশ নেহৰু বঁটা লাভ কৰে । ১৯৬৯ চনত তেওঁ অসম সাহিত্য সভাৰ ধিং অধিৱেশনত প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। ১৯৬৩ চনৰ পৰা ৬৯ চনলৈ সাহিত্য অকাডেমীৰ কাউন্সিলৰ সদস্য আছিল ।১৯৭২ চনত তেওঁ 'অঘৰী আত্মাৰ কাহিনী' নামৰ গ্ৰন্থখনৰ বাবে সাহিত্য অকাডেমীৰ বঁটা লাভ কৰে । ১৯৭৬ চনৰ পৰা ৮২ চনলৈ তেওঁ ৰাজ্যসভাৰ সদস্য হয় ।অসমীয়া ভাষা-সাহিত্যলৈ অনৱদ্য অৱদান আগবঢ়োৱা বাবেই তেওঁলৈ অসম সাহিত্য সভাৰ সভাপতিৰ পদ প্ৰদান কৰা হৈছিল ১৯৭৭ চনৰ অভয়াপুৰী অধিৱেশনত ।১৯৮১ চনত তেওঁ পশ্চিমবঙ্গ চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ পৰা 'পূৰ্ব ভাৰত সংস্কৃতি-সংহতি বঁটা' লাভ কৰে। ১৯৮৪ চনত তেওঁক ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধি আৰু ১৯৯২ চনত 'পদ্মভূষণ' উপাধি প্ৰদান কৰে। ১৯৯৭ চনত তেওঁক অসম সাহিত্য সভাই 'সাহিত্যচাৰ্য' উপাধি প্ৰদান কৰে। ১৯৮৮ চনত তেওঁক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে 'ডি- লিট' সন্মান প্ৰদান কৰে। ১৯৯৪ চনত 'অসম উপত্যকা বঁটা', ১৯৯৫ চনত 'আজান ফকীৰ বঁটা' আৰু ১৯৯৯ চনত 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' তেওঁলৈ আগবঢ়োৱা হয়।

চৈয়দ আব্দুল মালিকৰ সাহিত্য সম্পৰ্কে হোমেন বৰগোহাঞিয়ে এনেদৰে লিখিছে— " যি কেইজন মুষ্টিমেয় লেখকৰ ৰচনাত অসমৰ সমাজ, সভ্যতা, সংস্কৃতি, প্ৰকৃতি আৰু জীৱন ধাৰা বিশ্বাসযোগ্য আৰু হৃদয় সংবেদ্য ৰূপত চিৰকাললৈ বিধৃত হৈ ৰ'ল, তেওঁলোকৰ ভিতৰত এজন হ'ল মালিক। চৈয়দ আব্দুল মালিক।" (মালিক) মালিক হ'ল মানৱতাবাদী লেখক । তেওঁৰ ৰচনাত প্ৰধানকৈ স্থান পাইছে মানুহৰ কথা; য'ত গোষ্ঠী, সম্প্ৰদায়, ধৰ্মৰ ঠেক গণ্ডী অতিক্ৰম কৰি প্ৰতিফলিত হৈছে মানৱতাবাদ ।এই সম্পৰ্কে ড° কৰবী ডেকা হাজৰিকাই লিখিছে — "মালিকে মানুহৰ কথা কয়, মালিকে প্ৰকৃতিৰ কথা কয় । এই কথা কেতিয়াবা ভ্ৰমৰৰ গুঞ্জনৰ দৰে মিঠা, কেতিয়াবা দুপৰৰ অলস তন্দ্ৰা থানবান কৰা কাক পক্ষীৰ কণ্ঠৰ দৰে কঠোৰ বাস্তৱ । তেওঁৰ ৰচনাৰ বিষয়-বস্তুও মাটিৰ পৰা মেঘলৈ বিস্তৃত । প্ৰেমৰ দৰে আলসুৱা, বিৰহৰ দৰে কোমল, অশ্ৰুৰ দৰে সেমেকা, মিলনৰ দৰে উত্তাপময় তেওঁৰ ৰচনা । এই ৰচনাই হৈ পৰে বিশেষ বিশেষ সময়ত ক্ষুধাতুৰ মানুহৰ ক্ৰোধৰ দৰে জ্বালাময়ী। মালিকৰ কলমে খোজ কাঢ়ে অনায়াস ছন্দেৰে । ন-যুৱতীৰ অনুৰাগে ভৰা হিয়াৰ পৰা চাকৰিহীন যুৱকৰ মনোবেদনালৈ, অথবা গ্ৰাম্য সমাজৰ দুৰ্দশাৰ পৰা আধুনিকা বেশ্যাৰ গোপন বেদনালৈকে ইয়াৰ স্বচ্ছন্দ গতি । সঁচা মানুহৰ জীৱন কাহিনীও মালিকৰ ৰচনাত উপন্যাস হৈ পৰে । তেওঁৰ ক্লান্তিহীন কলমে অসমৰ প্ৰতিখন বিচিত্ৰ সমাজৰ, প্ৰতিজন বিচিত্ৰ মানুহৰ ছবি আঁকিছে ।....... সাহিত্যক জাতিৰ দাপোন বুলি কোৱা হয় । বোধকৰো মালিকৰ সাহিত্য অসমীয়া জাতিৰ শ্ৰেষ্ঠতম দাপোন ।ইয়াত প্ৰতিবিম্বিত হৈছে সৰ্বকালৰ সৰ্বশ্ৰেণীৰ অসমীয়া মানুহ ।" (মালিক)

যাদুকৰী ভাষা মালিকৰ ৰচনাৰ অন্যতম বিশেষত্ব । সেইবোৰত দেখিবলৈ পোৱা যায় তীব্ৰ আবেগময়তা । সেয়েহে তেওঁৰ ৰচনা কাব্যিক ব্যঞ্জনাৰে চপচপীয়া ।ড° নগেন শইকীয়াৰ ভাষাত, "মালিক ছাৰে নিজে যিহকে কওঁক, তেওঁ যে মুখ্যতঃ কবি সেই বিষয়ে মোৰ সন্দেহ নাই । তেওঁৰ গদ্যও কবিতাৰ বিশেষত্বৰ দ্বাৰা সংক্ৰমিত । তেওঁৰ যিকোনো এখন উপন্যাস বা যিকোনো এটা গল্প মেলি লওঁক দেখিব, আৰম্ভণিয়েই কেৱল কাব্যিক নহয়, শেষ পৰ্য্যন্ত তাৰ যি সামগ্ৰিক প্ৰতীতি আৰু আৱেদন, তাৰ মাজতো কাব্যিক উ পলব্ধি আৰু অনুভৱেই ঝংকৃত হৈছে ।" (চৈয়দ আব্দুল মালিকৰ ৰচনাৱলী) কল্পনাৰ প্ৰাচুৰ্য, উপলব্ধিৰ প্ৰগাঢ়তা আৰু সেই উপলব্ধিক প্ৰকাশ কৰাৰ যি চমৎকাৰী কৌশল, সেই কৌশলে মালিকৰ ভাষাত আনি দিছে এক অসাধাৰণ কাব্যিক ব্যঞ্জনা, যি ব্যঞ্জনাই সকলো শ্ৰেণীৰ পাঠককে আকৰ্ষণ কৰে ।


আধুনিক অসমীয়া সাহিত্যিকসকলৰ ভিতৰত আটাইতকৈ বেছি পৰিমাণৰ গল্প আৰু উপন্যাস লিখিছে চৈয়দ আব্দুল মালিকে। বিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা মৃত্যু পৰ্য্যন্ত গল্প আৰু উপন্যাসৰ সৃষ্টি কৰি গ'ল এইজন সাহিত্যিকে । মালিকৰ যি প্ৰতিভা, যি সৃষ্টি শক্তি, তাৰ পূৰ্ণ প্ৰকাশ ঘটিছে গল্প আৰু উপন্যাসত । তেওঁৰ প্ৰকাশিত গল্প আৰু উপন্যাসৰ সংখ্যা যেনেদৰে অসংখ্য, জীৱন আৰু জগতৰ ৰহস্য প্ৰকাশৰ ক্ষেত্ৰতো অন্তৰ্ভেদী, স্মৰণীয় আৰু উপভোগ্য ।

চৈয়দ আব্দুল মলিকৰ সাহিত্যৰ মূল উপজীব্য হ'ল প্ৰেম । হোমেন বৰগোহাঞিৰ ভাষাত, "মালিক এজন প্ৰেমিক । তেওঁ জীৱনৰ প্ৰেমিক, মানুহৰ প্ৰেমিক, প্ৰকৃতিৰ প্ৰেমিক । জীৱনক গভীৰ প্ৰেমৰ দৃষ্টিৰে চায় কাৰণেই পতিতজনৰ প্ৰতিও তেওঁৰ গভীৰ অনুকম্পা । তেওঁৰ গল্প-উপন্যাসত গুণ্ডা, বেশ্যা আৰু অপৰাধীবোৰো অগম্য অন্ধকাৰ পাতালৰ অধিবাসী নহয় । সিহঁত সকলোৱে আমাৰ সহোদৰ। এই গভীৰ কৰুণামণ্ডিত মানৱতাবাদ অসমীয়া সাহিত্যলৈ মালিকৰ আটাইতকৈ ডাঙৰ অৱদান ।" (মালিক) বিভিন্ন স্তৰৰ নৰ-নাৰীৰ আবেগ-অনুভূতিৰ চিত্ৰণ, অৱহেলিতসকলৰ প্ৰতি দৰদ, জৈৱিক তথা যৌন বাসনাৰ স্বীকৃতি, উচ্চাভিলাষবোধৰ প্ৰতি অনীহা, প্ৰকৃতিৰ লগত মানৱ মনৰ অভিন্ন সম্পৰ্ক আদি আব্দুল মালিকৰ সাহিত্যৰ বিশেষত্ব।

# হিতেশ ডেকা

*"মানুহ মোৰ মানত দেৱতা, মানুহ ৰূপী দেৱতা মোৰ অতি প্ৰিয় । মানুহকেই মই ভাল পাওঁ । মানুহেই মোৰ আৰাধ্যে, মানুহেই মোৰ ভগৱান, মানৱ সেৱাই মোৰ ধৰ্ম । ঈশ্বৰ মই দেখা নাই । কিন্তু মানুহৰূপী ঈশ্বৰ মই দেখিছো ।"*

মানুহক ঈশ্বৰৰ স্থান দিয়া মানৱতাবাদী সাহিত্যিক হিতেশ ডেকাই ২০০০ চনৰ ৩০ আগষ্টত ইহলীলা সম্বৰণ কৰিলে । একেধাৰে ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ আৰু নাট্যকাৰ হিতেশ ডেকাৰ জন্ম হৈছিল ১৯২৪ চনত বৰপেটা জিলাৰ সৰ্থেবাৰীত । তেওঁ ১৯৪৮ চনত সৰ্থেবাৰী হাই স্কুলৰ পৰা মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পাছতে নলবাৰী মহাবিদ্যালয়ৰ পৰা বি-এ পাছ কৰে । বৃত্তিত শিক্ষক হিচাপে কাৰ্য নিৰ্বাহ কৰি যোৱা এইজন ব্যক্তি আছিল প্ৰধানকৈ এজন ঔপন্যাসিক। তেওঁ ৰচনা কৰা উপন্যাস সমূহ হ'ল 'আজিৰ মানুহ', 'নতুন পথ', 'মাটি কাৰ', 'ভাৰা ঘৰ', 'এয়েতো জীৱন','সীমাৰ কাজিয়া', 'আচল মানুহ', 'বৈৰী মানুহ', 'জীৱন সংঘাত', 'ইতিহাসে সকিয়ায়','সুখৰ সংসাৰ', 'নিৰ্যাতিতা সতী', 'কামপত্নী', 'গাঁওৰ মানুহ' আৰু শিশু উপন্যাস



"ত্যাগ আৰু বাবীকোঁৱৰ" । হিতেশ ডেকাৰ উপন্যাস সমূহ প্ৰধানকৈ গাঁৱলীয়া সমাজ জীৱনৰ আধাৰত ৰচিত । কাৰণ হিতেশ ডেকা নিজেই আছিল গাঁৱলীয়া সমাজৰ পৰা অহা । এই সম্পৰ্কত ড° শৈলেন ভৰালীৰ এইষাৰ কথা বিশেষভাৱে প্ৰযোজ্য— "মানুহ হিচাপে হিতেশ ডেকাৰ প্ৰথম পৰিচয় তেখেত আছিল এজন নিৰ্ভেজাল অসমীয়া গাঁৱলীয়া মানুহ । সাধাৰণ মানুহক
লগ পাই আৰু তেওঁলোকৰ লগত কাম কৰি, মত বিনিময় কৰি তেখেতে পৰম আনন্দ লাভ কৰিছিল । কৃষক আৰু শ্ৰমজীবি মানুহৰ লগত তেখেতে অধিক আত্মীয়তা অনুভৱ কৰিছিল । তেখেতৰ কথা আৰু কামৰ মাজত যিদৰে বিসংগতি নাছিল, সেইদৰে তেখেতৰ মনত সৰু-বৰৰ পাৰ্থক্যও নাছিল । এজন শিক্ষিত লোকক তেখেতে যিদৰে জ্ঞান কৰিছিল, এজন শ্ৰমিককো ঠিক একেদৰেই জ্ঞান কৰিছিল । সেইকাৰণে আন মানুহে ঘৰ-বাৰীৰ কামৰ বাবে শ্ৰমিক বিচাৰি নাপালেও হিতেশ ডেকাই কাম-বন কৰা মানুহৰ অভাৱ কেতিয়াও অনুভৱ কৰা নাছিল । দুখীয়া-নিচলাৰ প্ৰতি আৰু ৰোগাক্ৰান্তসকলৰ প্ৰতি হিতেশ ডেকা আছিল অতি উদাৰ আৰু সহানুভূতিশীল । পৰিচিতই হওক অথবা অপৰিচিতই হওক, তেনে ধৰণৰ লোকক যিকোনো উপায়ে তেখেতে সহায় কৰিছিল, সুকথাৰেই নহয়, ধনেৰেও । পৰিয়ালৰ অন্যান্য সদস্যসকলৰ আপত্তিকো নেওচি তেখেতে দুৰাৰোগ্য ব্যাধিত ভোগা ৰোগীক ঘৰত আশ্ৰয় দি, খুৱাই-বুৱাই আৰু পৰিচৰ্যা কৰি নিজে চিকিৎসকৰ ওচৰলৈ যোৱাৰ ব্যৱস্থা কৰিছিল । অকল কলীয়া বুলিয়েই নহয়, তেখেতৰ সহায় বিচৰা কোনো বিপদগ্ৰস্ত মানুহকেই তেখেতে বিমুখ কৰা নাছিল, ধন আৰু শ্ৰম দুয়োটাই দান কৰিছিল আৰু কৰিছিল সম্পূৰ্ণ আন্তৰিকতাৰে । ধনৰ নাটনি যে তেখেতৰ নাছিল, সেইটো নহয় । প্ৰাচুৰ্য ডেকাৰ জীৱনলৈ কেতিয়াও অহা নাছিল । জীৱনৰ আদি ছোৱাৰতো কথাই নাই, ষাঠি বছৰ বয়সলৈকে ভীষণ নাটনিৰ মাজেদিয়ে তেখেতৰ জীৱন অতিবাহিত হৈছিল । সেইকাৰণে জীৱন নিৰ্বাহৰ প্ৰতিটো ক্ষেত্ৰতেই তেখেত আছিল অতি মিতব্যয়ী । কিন্তু দৰিদ্ৰ আৰু শ্ৰমজীবি মানুহৰ দুখ বেদনা তেখেতে গভীৰ আন্তৰিকতাৰে অনুভৱ কৰিছিল আৰু তেওঁলোকৰ বেদনা অতি সামান্য পৰিমাণে হ'লেও লাঘৱ কৰাৰ চেষ্টা কৰিছিল ।" (গৰীয়সী, ডিচেম্বৰ, ২০০০) সেয়েহে হিতেশ ডেকাৰ উপন্যাসত জীৱন্ত হৈ উঠিছে গাঁওলীয়া সমাজ জীৱনৰ সুখ-দুখ, হাঁহি-অশ্ৰু, মিলন-বিৰহ আদিয়ে । উপন্যাসবিলাকৰ মাজে মাজে আদৰ্শবাদে ভুমুকি নমৰাকৈ থকা নাই । ইয়াৰ মূলতে হৈছে হিতেশ ডেকাৰ জাতীয় সচেতনতা অথবা সমাজ সচেনতা । সমাজ সংস্কাৰৰ উদ্দেশ্যই হিতেশ ডেকাৰ উপন্যাসসমূহত এক বিশেষ স্থান লাভ কৰিছে । "ধনীৰ ধনগৰ্ব, দুৰ্বলীৰ ওপৰত অত্যাচাৰ, যৌনক্ষুধা আৰু দুনীৰ্তি পৰায়ণতাৰ সহজ ৰূপায়ণ সৰহভাগ উপন্যাসৰে অন্যতম প্ৰধান বিষয়ৰূপে দেখা দিছে ।" (ড° সত্যেন্দ্ৰ নাথ শৰ্মা, অসমীয়া উপন্যাসৰ গতিধাৰা)

হিতেশ ডেকা যে অকল সফল ঔপন্যাসিকেই আছিল এনে নহয়, তেওঁ আছিল এজন সফল গল্প লেখকো । তেওঁৰ প্ৰকাশিত গল্প পুথিসমূহ হ'ল 'প্ৰায়শ্চিত্ত', 'গৰাখহনীয়া', 'এইখন আমাৰ সমাজ', 'এথুপি গল্প', 'আকৌ গৰাখহনীয়া' আৰু ' গল্পটো লিখা নহ'ল' । তেখেতে ৰচনা কৰা নাটক হ'ল 'মন্ত্ৰীৰ হুকুম', 'শীৰ্ষ সন্মিলন', আৰু 'বিহুৱান' । তেওঁ কেইখন মান প্ৰবন্ধ সংকলনো লিখি উলিয়াইছিল, য'ত প্ৰতিফলিত হৈছে তেখেতৰ জাতীয় সচেনতা। তেনেকুৱা ধৰণৰ কিছুমান গ্ৰন্থ হ'ল 'পশিচম বঙ্গত মাটি কাৰ', 'জাতীয় চৰকাৰ' আৰু ' অসমীয়া জাতি টিকিবনে' ।


হিতেশ ডেকা অসম সাহিত্য সভাৰ এগৰাকী সুদক্ষ কৰ্মী আছিল। তেওঁ কামৰূপ জিলা সাহিত্য সভাৰ মিৰ্জা অধিৱেশনৰ সভাপতি, অসম সাহিত্য সভাৰ উপসভাপতি আৰু শেষত ১৯৯৫ চনত অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিৱেশনৰ সভাপতিৰ পদ শুৱনি কৰিছিল ।

অসম সাহিত্য সভাৰ সুদক্ষ কৰ্মী, সফল ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ হিচাপে অসমীয়া সাহিত্যৰ ইতিহাসত বিশেষ স্থান লাভ কৰা হিতেশ ডেকাৰ কায়িকভাৱেহে মৃত্যু হ'ল ; কিন্তু তেওঁ এৰি থৈ গ'ল কৰ্ম, যি কৰ্মই তেওঁক অমৰ কৰি ৰাখিব ।

## লক্ষ্যধৰ চৌধুৰী

*"মই ভাল actor নহ'ব পাৰোঁ ।কিন্তু I am dedicated actor । এতিয়ালৈকে মই পাঁচশবাৰ মৰিছোঁ, একৈশবাৰ ফাঁচী হৈছে । মুঠতে হেজাৰেটামান চৰিত্ৰত ভাও লৈছোঁ ।"*

নিজকে এজন সমাজ দায়বদ্ধ অভিনেতা হিচাপে বিবেচনা কৰা নাট্যকাৰ, নাট পৰিচালক, ঔপন্যাসিক, সুবক্তা, ৰাজনৈতিক নেতা আদি বহুধা ব্যক্তিত্বৰ অধিকাৰী লক্ষ্যধৰ চৌধুৰী আৰু আমাৰ মাজত নাই। তেওঁ ২০০০ চনৰ ১৮ আগষ্টত ইহলীলা সম্বৰণ কৰি কায়িকভাৱে আমাৰ মাজৰ পৰা আঁতৰি গ'ল ।কিন্তু থৈ গ'ল তেওঁৰ কৰ্মৰাজি আৰু আদৰ্শ। ১৯১৫ চনত উত্তৰ গুৱাহাটীত জন্ম লাভ কৰা লক্ষ্যধৰ চৌধুৰীয়ে সৰুকালৰে পৰা গীত, নৃত্য, অভিনয়ৰ প্ৰতি আকৃষ্ট আছিল। সেয়েহে হাই স্কুলীয়া ছাত্ৰ অৱস্থাতে তেওঁ 'একলব্য' নামৰ নাটকখন লিখি অভিনয় কৰিছিল আৰু শিক্ষকৰ পৰা প্ৰশংসা লাভ কৰিছিল । তেওঁৰ শিক্ষকসকলৰ উৎসাহ-উদ্দীপনাক সন্মুখত ৰাখিয়ে তেওঁ গোটেই জীৱন অভিনয়ৰ লগত জড়িত হৈ পৰিছিল। আনকি মৃত্যুৰ আগে আগে ৮৫ বছৰ বয়সতো তেওঁ 'ঠিকনা' নামৰ নাটকখনত বলিষ্ঠ অভিনয় কৰি দৰ্শকক চমক খুৱাইছিল । বয়সে তেওঁক কাবু কৰিব পৰা নাছিল । বয়সকো জয় কৰি তেওঁ কৰ্মত প্ৰবৃত্ত হৈছিল । চৌধুৰীদেৱৰ এইবোৰ গুণ লক্ষ্য কৰি হোমেন বৰগোহাঞিদেৱে লিখিছিল - 'অসমীয়া জাতিৰ প্ৰাণ প্ৰাচুৰ্যৰ এটা উজ্বল প্ৰতীক হ'ল লক্ষ্যধৰ চৌধুৰী । তেওঁৰ জীৱনত বোধহয় এটাই প্ৰাৰ্থনা ঃ 'এই সুন্দৰ ভুৱনত মই মৰিবলৈ নিবিচাৰোঁ; মই জীয়াই থাকিবলৈ বিচাৰোঁ মানুহৰ মাজত ।' প্ৰকৃতিৰ নিয়ম অনুযায়ী বয়সে মানুহক ক্ৰমে ক্ৰমে ক্ষয় কৰি আনি অৱশেষত বৃদ্ধ বয়সত প্ৰায় ধ্বংস স্তূপত পৰিণত কৰে; তেনে অৱস্থাত বেছিভাগ মানুহেই অসহায় ভাবে মৃত্যুৰ কাৰণে অপেক্ষা কৰি থাকিবলৈ বাধ্য হয় । আনকি যি



মৃত্যু জীৱনৰ এটা বয়সত আছিল ভীষণ আতংক আৰু ভয়ৰ কাৰণ, সিয়েই বৃদ্ধ বয়সত বহুতৰ কাৰণে হৈ পৰে পৰম কাম্য । কিন্তু মানুহ সদায় নিয়মৰ এটা ব্যতিক্ৰম । বহুত মানুহে বাৰ্ধক্যৰ দুৰ্বলতা আৰু যন্ত্ৰণাক জয় কৰি এই কথা প্ৰমাণ কৰে যে যৌৱন জীৱনৰ এটা ঋতু মাত্ৰ নহয়; সি আচলতে মনৰ এটা অৱস্থাহে। শৰীৰ জৰাগ্ৰস্ত হ'লেও মনৰ যৌৱন দীৰ্ঘস্থায়ী কৰি ৰখাটো সম্ভৱ । ...... আমাৰ লক্ষ্যধৰ চৌধুৰীয়ে পঁচাশী বছৰ বয়সতো মঞ্চত অভিনয় কৰি সকলোৰে চকুত চমক লগাই দিছে ।" চৌধুৰীদেৱৰ পঁচাশী বছৰ বয়সত অভিনয় কৰা কথাই আমাৰ মনলৈ আনে শ্বেইক্সপীয়েৰৰ নাটকত অভিনয় কৰি বিশ্ব বিখ্যাত হোৱা জন গিলগাদৰ কথা । তেওঁৰ বয়স যিমানে বাঢ়িছিল, সিমানেই বাঢ়িছিল তেওঁৰ অভিনয় কৰাৰ চখ। এই সম্পৰ্কে জন মাৰ্টিমাৰে লিখিছে— "After playing most of the great tragic role in his youth, John Gielgud has



জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী আৰু নেহৰুৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ উপলক্ষে নেহৰুৰ জীৱন দৰ্শনৰ ওপৰত হোৱা আলোচনা চক্ৰত ভাষণৰত প্ৰয়াত লক্ষ্যধৰ চৌধুৰী।

developed, in his seventies, into the world's subtlest comic actor." চৌধুৰীয়ে অভিনয় কৰাৰ উপৰিও বহু কেইখন নাটকো লিখি উলিয়াইছিল । তাৰ ভিতৰত 'কৃষ্ণজন্ম', 'কংসধৰ', 'পথৰুঘাটে ৰিঙিয়ায়', 'ৰূপান্তৰ', 'ৰামৰাজ্য', 'আলিবাবা', 'যৱনিকা', 'বিন্দু শৰ্মাৰ বিচাৰ', 'ৰক্ষ কুমাৰ', 'নিমিলা অংক', 'ঠিকনা' আদি উল্লেখযোগ্য । তেওঁৰ প্ৰকাশিত উপন্যাস 'অনুভৱ'। অসমীয়া সাহিত্যলৈ এনেদৰে অৱদান আগবঢ়োৱা বাবেই তেওঁক অসম সাহিত্য সভাৰ গোৰেশ্বৰ অধিৱেশনৰ সভাপতিৰ পদ প্ৰদান কৰা হৈছিল । 'মানুহ বিচাৰি' নামৰ গ্ৰন্থখনৰ বাবে তেওঁক ১৯৮৯ চনত ভাৰতীয় ভাষা-পৰিষদৰ বঁটা প্ৰদান কৰা হৈছিল ।

লক্ষ্যধৰ চৌধুৰীয়ে অকল নাট্যকাৰ বা অভিনেতাই আছিল, তেনে নহয় ; তেওঁ ৰাজনীতিবিদো আছিল । তেওঁ আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন নিস্বাৰ্থ কৰ্মী । আনকি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত তেওঁ নিজৰ শিক্ষকতাৰ চাকৰিটোকো ত্যাগ কৰিছিল । সেই সময়ত তেওঁ ব্ৰিটিছ সেনাৰ পৰা হাত সাৰি থাকিবলৈ প্ৰায় তিনি বছৰকাল অজ্ঞাতবাস খাটিব লগা হৈছিল । ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা পালে যদিও সৰ্বসাধাৰণৰ দুৰ্দশা নুগুছিল। সেয়েহে তেওঁ ১৯৪৮ চনত কংগ্ৰেছ দল ত্যাগ কৰি সমাজবাদী দলত যোগদান কৰিছিল । ১৯৫২ চনত গুৱাহাটী সমষ্টিৰ পৰা লোক সভা আৰু ১৯৫৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচন খেলিছিল যদিও তেওঁ পৰাজয় বৰণ কৰিছিল । ১৯৬৪ চনত তেওঁ গুৱাহাটী পৌৰ সভাৰ নিৰ্বাচনত জয়ী হৈ চেয়াৰমেন হয় আৰু ১৯৭৫ চনত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ হয় । ১৯৭৮ চনত তেওঁ জনতা দলৰ প্ৰাৰ্থীৰূপে জয়লাভ কৰে আৰু শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰিত্ব লাভ কৰে । চৌধুৰীয়ে ৰাজনীতিত কৃতকাৰ্যতা লাভ কৰাৰ মূলতে হৈছে তেওঁৰ বাগ্মিতা । তেওঁ সকলো কথাকে ৰস লগাকৈ আৰু সৰ্বসাধাৰণে বুজি পোৱাকৈ ক'ব পাৰিছিল । লক্ষ্যধৰ চৌধুৰীদেৱৰ মৃত্যুত অসমৰ সাহিত্য, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশত এক পূৰাব নোৱাৰা ক্ষতি হ'ল ।

## ড° উপেন্দ্ৰনাথ গোস্বামী

"মানুহ নিজেই নিজৰ উপদেশ । মানুহে নিজেই নিজক গঢ়িব লাগিব ।"

নিজৰ জীৱনৰ পৰাই এই শিক্ষা লাভ কৰা অসমীয়া ভাষা - সাহিত্যৰ নীৰৱ সাধক, প্ৰচাৰ বিমুখ ড° উপেন্দ্ৰনাথ গোস্বামীৰ জীৱন বহুতৰে কাৰণে আদৰ্শস্বৰূপ, বিশেষকৈ যি সকল লোক অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন আৰু চৰ্চাৰ লগত জড়িত । ড° বাণীকান্ত কাকতিদেৱে তেওঁৰ 'Assamese : Its Formation and